গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ৭ আগষ্ট, ২০২৬/২১ শাওণ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ১৭ ● Vol - 15, Issue - 17

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

# উজনিৰ বান ক্ষতিগ্ৰস্ত ৬২ হাজাৰ পৰিয়ালক ১৫ হাজাৰকৈ প্ৰেৰণ



**ডিব্ৰুগড় ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত আয়োজিত এক অনুষ্ঠানত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰতিটো বানাক্ৰান্ত পৰিয়াললৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ ব্যৱস্থাৰে ১৫০০০ টকাকৈ অন্তৰ্বৰ্তীকালী আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰে। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোজনাৰ দ্বাৰা উপকৃত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ যোগ্য হিতাধিকাৰীলৈ ৰাজ্যিক ৰাজসাহায্যৰ ধনৰ আভাসীয়ভাৱে মুকলি কৰে। উল্লেখ্য যে শেহতীয়া প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৫০০০ টা বানাক্ৰান্ত পৰিয়াললৈ সাহায্য আগবঢ়োৱা হ'ব। প্ৰথম পৰ্যায়ত ৬২৬৯৬ টা পৰিয়াললৈ ধনৰাশি প্ৰেৰণ কৰা হৈছে। জিলা আয়ুক্তসকলে দাখিল কৰা মূল্যায়ন প্ৰতিবেদন আৰু হিতাধিকাৰীৰ তালিকাৰ ভিত্তিত বাকী থকা যোগ্য হিতাধিকাৰীসকললৈ অহা ৫ আগষ্টৰ ভিতৰত এই আৰ্থিক সাহায্য মুকলি কৰি দিয়া হ'ব। আনহাতে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ যোজনাৰ অধীনত বানপীড়িত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ সৰ্বমুঠ ৯২৮৯ গৰাকী যেগ্য হিতাধিকাৰীৰ বাবে ৪১.৬৭ কোটি টকাৰ ৰাজ্যিক ৰাজসাহায্য মুকলি কৰা হয়। অনুষ্ঠানত ভাষণ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানাক্ৰান্ত *৭ পৃষ্ঠাত*

কলেজখনে ভালদৰে অগ্ৰসৰ হ'ব পাৰিছে, আৰু তিনিবছৰৰ পাছত পূৰ্ণাংগ ৰূপ পাব ঃ স্বাস্থ্যমন্ত্ৰী

## নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** 'নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালখনে ভালধৰণে অগ্ৰসৰ হ'ব পাৰিছে। মেডিকেল কলেজত যেতিয়া পিজি ষ্টুডেণ্ট সকলৰ নামভৰ্ত্তি হয়। পিজি ষ্টুডেণ্ট সকল আহি যায় তেতিয়াই মেডিকেল কলেজ এখনে পূৰ্ণাংগতা লাভ কৰে। তিনিবছৰ পাছত নিশ্চিতভাৱে নলবাৰী চিকিৎসা মহাবিদ্যালয় *৭ পৃষ্ঠাত*

## মুখ্যমন্ত্ৰীৰ সাহায্যই বানাক্ৰান্ত ৰাইজলৈ কঢ়িয়াই আনিলে আশা, সাহস আৰু সহমৰ্মিতাৰ বাৰ্তা

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসমৰ জনসাধাৰণৰ সুৰক্ষা, নিৰাপত্তা আৰু কল্যাণৰ বাবে দিনে-নিশাই নিৰলসভাৱে আত্মনিয়োগ কৰি অহা সৰ্বকালৰ অন্যতম জনপ্ৰিয় আৰু যশস্বী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ পদক্ষেপৰ অংশ হিচাপে ৩ আগষ্টত মুখ্যমন্ত্ৰীৰ সাহায্য বেগসমূহ শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত *৭ পৃষ্ঠাত*

## বংশত 'অৰুণোদয় ৩.০' আঁচনিৰ শুভ উদ্বোধনী অনুষ্ঠানত কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী তথা শিশু উন্নয়ন মন্ত্ৰী অজন্তা নেওগ অংশগ্ৰহণ



**ৰমেন ভৰালী, বংশৰ ঃ** মহিলা আৰু শিশু বিকাশ আৰু পৰ্যটন মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগে যোৱা ১ আগষ্টত কামৰূপ জিলাৰ শুৱালকুছি উন্নয়ন খণ্ডৰ অধীনৰ ৮২ নং বংশৰ গাঁও পঞ্চায়তত আয়োজিত অৰুণোদয় ৩.০ৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম আৰ্থিক সাহায্য প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰা গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানৰ সমান্তৰালভাৱে ৰাজ্যৰ ৩৫০০ ৰো অধিক স্থানত অনুৰূপ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে *৭ পৃষ্ঠাত*

## জামুগুৰিত গৰাখহনীয়াৰ পৰিস্থিতি পৰিদৰ্শন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ

**গহপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ জামুগুৰি অঞ্চলত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত মথাউৰিৰ অংশ পৰিদৰ্শন কৰি বান পৰিস্থিতি আৰু সুৰক্ষা ব্যৱস্থাৰ বুজ লয়। পৰিদৰ্শনকালত তেওঁ জলসম্পদ বিভাগ, জিলা প্ৰশাসন আৰু স্থানীয় বিষয়াসকলৰ সৈতে বিস্তৃত আলোচনা কৰি ইতিমধ্যে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে আগন্তুক দিনৰ বাবে প্ৰয়োজনীয় পদক্ষেপসমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে, যোৱা নিশা জামুগুৰি অঞ্চলৰ লতাবাৰী অংশত ব্ৰহ্মপুত্ৰৰ তীব্ৰ গৰাখহনীয়াৰ ফলত মথাউৰিৰ এটা অংশ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে আন আন অংশতো বৃহৎ ফাঁট মেলে। বিষয়টো স্থানীয় বিধায়ক ভূপেন কুমাৰ বৰা আৰু গহপুৰৰ বিধায়ক উৎপল বৰাই তাৎক্ষণিকভাৱে মুখ্যমন্ত্ৰীক অৱগত কৰাৰ পাছতে মুখ্যমন্ত্ৰীয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। সেই অনুসৰি জলসম্পদ বিভাগ, জিলা প্ৰশাসন আৰু স্থানীয় ৰাইজে গোটেই নিশা যুদ্ধকালীন তৎপৰতাৰে কাম কৰি মথাউৰিটোৰ সুৰক্ষা নিশ্চিত কৰে, যাৰ ফলত এক সম্ভাব্য বৃহৎ দুৰ্যোগৰ পৰা অঞ্চলটোক *৭ পৃষ্ঠাত*

## কাশীত মাধৱ কন্দলি ৰামায়ণ কাৰ্যসূচীৰ সফলতাৰ কাহিনী



**গুপ্তজিত পাঠক ঃ** দ্বিতীয় ৰাষ্ট্ৰীয় অযোধ্যানন্দন জন্মোৎসৱ-২০২৬ৰ ৰাষ্ট্ৰীয় আলোচনা সভা উত্তৰ প্ৰদেশৰ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ বৈদিক বিজ্ঞান কেন্দ্ৰ, বাৰাণসীত গুৱাহাটীৰ দক্ষিণ-পূব এছিয়া মাধৱ কন্দলি ৰামায়ণ মিলন সভাৰ উদ্যোগত সফলতাৰে যোৱা ২৫ জুলাইত অনুষ্ঠিত হয়। এই আলোচনা সভাৰ আয়োজনে ৭০০ বছৰীয়া উত্তৰ ভাৰতীয় প্ৰান্তীয় অসমীয়া ভাষাৰ অপ্ৰমাদী কবি মাধৱ কন্দলিকৃত সপ্তকাণ্ড ৰামায়ণৰ কথা ভাৰতীয় ঐতিহাসিক বিশ্ববিদ্যালয়ৰ প্ৰাঙ্গণত উদ্ভাসিত কৰিলে। এই পদক্ষেপে সাহিত্যিক আৰু সাংস্কৃতিক উত্তৰাধিকাৰক প্ৰচাৰৰ ক্ষেত্ৰত এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰে ভাৰত উপমহাদেশৰ ৰামায়ণ। তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে, এই অনুষ্ঠানৰ আয়োজনে অসমৰ সাংস্কৃতিক পৰম্পৰা আৰু পৱিত্ৰ কাশী চহৰৰ মাজত এক মানৱীয় সাংস্কৃতিক সেতু ৰূপে চিহ্নিত হৈ পৰিল আৰু ভাৰতৰ ভাগ-বতৰা সভ্য সভ্যতাবাদী ঐতিহ্যৰ জৰিয়তে জাতীয় সংহতিৰ আদৰ্শক *৭ পৃষ্ঠাত*

# একমাত্ৰ চৰকাৰী চাকৰি পৰম্পৰাগত সংস্থাপনেৰে নিবনুৱা সমস্যাৰ সমাধান নহয়

## নগাঁৱত আছুৰ অভিনন্দন অনুষ্ঠানত সভাপতি শৰ্মা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** শিক্ষাৰ্থীক উৎসাহিত কৰিবৰ বাবে ছাত্ৰ সস্থাই শৈক্ষিক উদ্‌যাপনৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সফলতাৰ বাবে শৈক্ষিক নিবনুৱাক সংস্থাপন কৰিববৈলে সন্ধান কৰিব উদ্‌যাপনৰ ধাৰা অব্যাহত ৰাখিছে; যাতে তেওঁলোকৰ পিছৰ ছাত্ৰ-ছাত্ৰীসকলে উন্নত ফলাফলৰ বাবে অনুপ্ৰাণিত হ'ব পাৰে। এই মন্তব্য ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাৰ। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত নগাঁও মহকুমা ছাত্ৰ সন্থা আৰু নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত কৃতী ছাত্ৰ-ছাত্ৰীৰ বিশেষ অভিনন্দন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি উৎপল শৰ্মাই কয় যে চৰকাৰে এতিয়া শীৰ্যস্থান (ষ্টেগু) বিভিন্ন অজুহাতত প্ৰত্যাহাৰ কৰিছে। কিন্তু ছাত্ৰ সস্থাই শৈক্ষিক সফলতাৰ উদ্যাপনৰ ধাৰা অব্যাহত ৰাখিছে। অসমৰ নিৱনুৱাৰ সংস্থাপনৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে নিৰ্বাচনৰ সময়ত নিৱনুৱাৰ সংস্থাপনৰ প্ৰতিশ্ৰুতি দিয়া ৰাজনৈতিক দলসমূহে চৰকাৰ গঠনৰ পিছত প্ৰতিশ্ৰুতিসমূহ সলনি কৰি দিয়ে। কেৱল পাঁচ বছৰত এক-ডেৰলাখকহে নিযুক্তি দিয়ে। অসমৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা বছৰি একলাখতকৈ অধিক শিক্ষাৰ্থীয়ে স্নাতক ডিগ্ৰী লাভ কৰে। এনেদৰে বছৰি শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈছে। একমাত্ৰ চৰকাৰী চাকৰিৰ জৰিয়তে নিবনুৱা সমস্যা সমাধান নহয় বুলি উল্লেখ কৰি শৰ্মাই কয় যে পৰম্পৰাগত সংস্থাপনৰ বিপৰীতে বিকল্প পথৰ সন্ধান কৰিব লাগিব। এডভান্টেজ আছাম-২.০ বিনিয়োগক আদৰণি জনাই তেওঁ কয়, এই প্ৰকল্পসমূহত আমাৰ যুৱক-যুৱতীসকলৰ সংস্থাপন হ'ব লাগিব। ইয়াৰ বাবে প্ৰয়োজন হ'ব আধুনিক বৃত্তিমুখী শিক্ষা গ্ৰহণৰ। এইক্ষেত্ৰত চৰকাৰে উপযুক্ত পদক্ষেপ লোৱাটো প্ৰয়োজন। অসমৰ বিভিন্ন সমস্যাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে সমস্যাৰ বিপৰীতে সম্ভাৱনাৰ বিষয়ে অধ্যয়ন কৰাৰ বাবে সংশ্লিষ্ট সকলোৱে গুৰুত্ব দিয়াটো উচিত। উজনি অসমৰ ভয়াৱহ বানৰ বিষয়ে উল্লেখ কৰি ছাত্ৰ নেতাগৰাকীয়ে কয় যে উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, যোৰহাট জিলাত বানে মহাপ্ৰলয়ৰ সৃষ্টি কৰিছে। এই বানত ৮২জন লোকৰ মৃত্যু হৈছে। বহুতো মানুহ নিৰুদ্দেশ হৈ আছে। মানুহৰ ঘৰ-দুৱাৰ, বিদ্যালয়, পশুধনৰ বিস্তৰ ক্ষতি হৈছে। এই সময়ত এই লোকসকলৰ বাবে বিশেষ অৰ্থনৈতিক পেকেজ নিদিলে এই লোকসকলে পুনৰ জীৱনটো আৰম্ভ কৰাৰ অৱকাশেই নাথাকিব। ছাত্ৰ-ছাত্ৰীৰ ব্যাপক ক্ষতি হৈছে। এইক্ষেত্ৰত আমি চৰকাৰক কিছু ক্ষেত্ৰত দাবী জনাইছিলোঁ। কিছু কিছু দাবী মানি লৈছে। শিক্ষা সংসদে ছাত্ৰ-ছাত্ৰীৰ মাৰ্কশীট, প্ৰমাণ-পত্ৰ বিনামূলীয়াকৈ প্ৰদানৰ ব্যৱস্থা কৰিছে। লগতে গুৱাহাটী, ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি আন বিশ্ববিদ্যালয়কো চৰকাৰে বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ এডমিট, মাৰ্কশ্বীট আদি বিনামূলীয়াকৈ প্ৰদানৰ বাবে নিৰ্দেশ দিব লাগে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতিগৰাকীয়ে এই তিনিখন জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰৱৰ্তী যান্মাসিকৰ খৰচ চৰকাৰক বহন কৰাৰ বাবে দাবী জনায়। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত বৰাৰ সভাপতিত্বত অনুষ্ঠিত আৰু সাধাৰণ সম্পাদক কংকণজ্যোতি বৰুৱাই আঁত ধৰা সভাখন উদ্বোধন কৰি নগাঁও জিলাৰ আয়ুক্ত দেবাশিস শৰ্মাই কয়, সকলো ছাত্ৰ-ছাত্ৰীয়ে এটা লক্ষ্য স্থিৰ কৰি লোৱা প্ৰয়োজন। লক্ষ্য এটা ত্ৰিভুজৰ দৰে। এই ত্ৰিভুজসদৃশ লক্ষ্যত উপনীত হ'বলৈ হ'লে একাগ্ৰতা থাকিব লাগিব। যুৱপ্ৰজন্ম দেশৰ ভৱিষ্যৎ বুলি উল্লেখ কৰি আয়ুক্তগৰাকীয়ে কয় যে নৱপ্ৰজন্মই নিজৰ শিপাডাল কটকটীয়া কৰিব পাৰিলে সমাজ, দেশক সঠিকভাৱে নেতৃত্ব দিব পাৰিব। আমি সকলোৱে নৱপ্ৰজন্মক মানসিকভাবে প্ৰস্তুত কৰিব লাগিব। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰামানুজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি প্ৰেৰণামূলক ভাষণ দিয়ে। জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কাকতিয়ে আদৰণী ভাষণ দিয়া সভাত সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক গৌৰীশংকৰ শইকীয়া, ক্ৰীড়া সম্পাদক মৃগাংক শেখৰ ভৰালী হাজৰিকা, সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধি, সাহিত্য সম্পাদিকা নিহাৰিকা শইকীয়া, কাৰ্যনিৰ্বাহক সদস্য অনিমেষ ভাগৱতী, সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী, অসম উন্নতি সভাৰ উপ-সভাপতি অমৰজিৎ গোস্বামী, নগাঁও জিলা সমিতিৰ সভাপতি বিজয় বৰঠাকুৰ, সাংবাদিক কনক হাজৰিকা, নগাঁও মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জ্যোতিষ্মান বৰুৱা, সাধাৰণ সম্পাদক কবুল কাকতি, নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি কাকতি আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক মনোৰঞ্জন কাশ্যপ আদিয়ে অংশগ্ৰহণ কৰে। সভাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ লগতে উন্নত ফলাফল প্ৰদৰ্শন কৰা শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

# অসম নাট্য সন্মিলন 'কলংপাৰ' শাখাৰ শিশু নাট কৰ্মশালাৰ সামৰণি

## নাট্যকাৰ, পৰিচালক অভিনেতা দীপক বৰাক নট নক্ষত্ৰ-সন্মান প্ৰদান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসম নাট্য সন্মিলন কলংপাৰ শাখাৰ ব্যৱস্থাপনাত অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাৰ সামৰণি পৰে। নগাঁও জিলাৰ গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত বিয়লি অনুষ্ঠিত হয় শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠান। বিয়লিৰে পৰা অনুষ্ঠিত হোৱা শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক, লেখক তথা সুবক্তা মোহিনীমোহন ডেকাই। এই অনুষ্ঠানতেই বিশিষ্ট নাট্যকাৰ, অভিনেতা তথা পৰিচালক দীপক বৰাক কলংপাৰ শাখাৰ তৰফৰ পৰা প্ৰদান কৰা হয় নট-নক্ষত্ৰ সন্মান। অসমৰ সোনসেৰীয়া কৃষ্টিকেই জীৱনৰ অংগস্বৰূপ কৰি লোৱা এইগৰাকী নাট্য কৰ্মী দীপক বৰাই ৰাইজ আৰু প্ৰশিক্ষাৰ্থী সকলৰ মাজত এই সন্মান লাভ কৰি আৱেগিক হৈ পৰে। সন্মান লাভ কৰাৰ পিছতেই এইগৰাকী কৃষ্টিৰ সাধক দীপক বৰাই তেওঁৰ ভাষণত কয়-গুৰুজনাকে ধৰি আমাৰ যিসকল নক্ষত্ৰ তথা আমাৰ গুৰু তেওঁলোকে দি থৈ যোৱা শক্তিৰে আনক পোহৰ কৰাৰ প্ৰয়াস কৰা আমি মাথোঁ একোটা উপগ্ৰহ। ধাৰ কৰা শক্তিৰে আনক পোহৰ কৰা আমি উপগ্ৰহ যদিও চিন্তা আৰু নিজৰ চেষ্টা সন্নিৱিষ্ট কৰি আগবাঢ়ি গৈছো। আমি নাটকৰ তৃণমূল কৰ্মী। সৰুৰে পৰা গাঁৱত ভাওনা কৰিছো। আমাৰ মন যায় গুৱাহাটী বা নগাঁৱৰ দুশ তিনিশ দৰ্শকৰ মাজত নাটক কৰিবলৈ। তেনেদৰে নাটক কৰাৰ পিছতো আমাৰ মূল লক্ষ্য তৃণমূল তথা গাঁও অঞ্চলত নাটক কৰা। গাঁও অঞ্চল আমাৰ প্ৰাণৰো প্ৰাণ বুলি উল্লেখ কৰে। উল্লেখ্য যে, যোৱা ১৭ জুলাইৰ পৰা অনুষ্ঠিত হোৱা দহদিনীয়া শিশু নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ আৰম্ভণিতে শিল্পী বিষ্ণু প্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ক্ৰমে প্ৰবীন নাট্য কৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী নৰেন্দ্ৰ নাথ শৰ্মা, নাট্যকাৰ, পৰিচালক হেমকান্ত বৰুৱা আৰু নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক তথা সমাজকৰ্মী কুমুদ চন্দ্ৰ বৰাই। কলংপাৰ শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহকাৰী সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অসম নাট্য সন্মিলন কামপীঠ মণ্ডলৰ সভাপতি মনোজ বৰদলৈ, সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়া, নগাঁও জিলা সমিতিৰ সভাপতি সভাপতি প্ৰশান্ত শৰ্মা, সম্পাদক জিতুমনি মহন্ত, বড়মপুৰৰ মূৰ্ছনা নৃত্য মঞ্জুৰী সংগীত বিদ্যালয়ৰ তত্বাৱধায়ক জয়ন্ত শৰ্মা, সমাজকৰ্মী নৰেন্দ্ৰ নাথ বৰা, কলংপাৰ শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰা, কাৰ্যকৰী সভাপতি কিৰণ কুমাৰ নেওগ প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। শিশু নাট কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে অভিনেতা তথা পৰিচালক ৰাজেন ফুকন, নাট্যকাৰ, অভিনেতা তথা পৰিচালক নৱজ্যোতি বৰা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত অভিনেত্ৰী, অভিনেতা ক্ৰমে সুস্মিতা শইকীয়া, অঞ্জল বৰা, নাট্যকাৰ, অভিনেতা পৰিচালক ক্ৰমে গোলাপ বৰা আৰু সীমান্ত কলিতাই। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক শাখাৰ তৰফৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষাৰ্থীসকলে এলানি চুটি শিশু নাট প্ৰদৰ্শন কৰে।

# মথনগুৰি সমষ্টিত ই এম বেগম আখতাৰাৰ মানৱ সেৱা



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** বিটিচিৰ কাৰ্যবাহী সদস্য তথা মথনগুৰী পৰিষদীয় সমষ্টিৰ এমচিএলএ বেগম আখতাৰা আহমেদে মথনগুৰী সমষ্টিৰ বিভিন্ন প্ৰান্তৰ কেবাগৰাকীও দুখীয়া, অসহায়, সুবিধাবঞ্চিত লোকৰ বাসগৃহলৈ গৈ তেওঁলোকক সাক্ষাৎ কৰি ৰোগাক্ৰান্ত লোকৰ চিকিৎসা, দুখীয়া মেধাৱী শিক্ষাৰ্থীৰ অধ্যয়নৰ দায়িত্ব লৈ এক প্ৰশংসনীয় কাৰ্যত জড়িত হোৱাটোৱে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখ্য যে- খাগ্ৰাবাৰী গাঁৱৰ চকুৰ দৃষ্টি হেৰুৱাই সৰ্বা বড়ো নামৰ এগৰাকী দুখীয়া-অসহায় ব্যক্তিয়ে ধনৰ অভাৱত চিকিৎসাৰ পৰা বঞ্চিত হৈ সুদীৰ্ঘ দিন ধৰি নিজৰ ঘৰতেই আৱদ্ধ হৈ থকাৰ পিছত বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে সৰ্বা বড়োৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ অসুস্থতা আৰু ঘৰুৱা পৰিস্থিতি প্ৰত্যক্ষ কৰে। বেগম আখতাৰা আহমেদে সৰ্বা বড়ো আৰু তেওঁৰ পৰিয়ালটোৰ আৰ্থিক দুৰৱস্থাৰ বিষয়ে অৱগত হৈ দৃষ্টিহীন ব্যক্তিগৰাকীৰ চিকিৎসাৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ তথা চিকিৎসাৰ খৰছ বহন কৰাৰ ঘোষণা কৰে।লগতে আৰ্থিক অনুদানো আগবঢ়ায়। তদুপৰি বেগম আখতাৰা আহমেদে কুঠুৰিঝাৰ গাঁৱৰ অতি দুখীয়া মেধাৱী ছাত্ৰী ঋতুমণি বড়োৰ বাসগৃহত উপস্থিত হৈ উচ্চ শিক্ষাৰ সপোন বাস্তৱায়িত কৰাৰ বাবে আৰ্থিক অনুদান আগবঢ়াই অধ্যয়নৰ দায়িত্বও লয়। আনহাতে বুনমাজা গাঁৱৰ দীৰ্ঘ দিন ধৰি ৰোগাক্ৰান্ত হৈ থকা দুখীয়া ব্যক্তি দেবেন বড়োৰ বাসগৃহত বেগম আখতাৰা আহমেদে উপস্থিত হৈ ৰোগাক্ৰান্ত বড়োৰ স্বাস্থ্যৰ খবৰ লৈ চিকিৎসাৰ বাবে আৰ্থিক সহায় প্ৰদান কৰাৰ লগতে পৰৱৰ্তী সময়ত চিকিৎসাৰ খৰচৰ দায়িত্ব লয় আহমেদে। ৰোগাক্ৰান্ত ব্যক্তি সৰ্বা বড়ো, দেবেন বড়ো আৰু মেধাৱী শিক্ষাৰ্থী ঋতুমণি বড়োক সাক্ষাতৰ পিছত বেগম আখতাৰা আহমেদে সংবাদ মাধ্যমৰ প্ৰশ্নোত্তৰত কয়- 'মথনগুৰী সমষ্টিৰ সৰ্বস্তৰৰ ৰাইজে মোক নিৰ্বাচনত ভোটদানেৰে নিৰ্বাচিত কৰাটোৱে এক বিশেষ শক্তি আৰু সাহস দিছিল। যাৰ বাবে মই ৰাইজৰ সুখ-দুখত ৰাইজৰ কাষত থিয় হ'বলৈ সক্ষম হৈছোঁ। মই নিৰ্বাচনৰ আগতেও কৈছিলো- ৰাইজৰ লগত থাকিম। ৰাইজে জনপ্ৰতিনিধিৰূপে নিৰ্বাচিত কৰাৰ পিছত আজিও কৈছোঁ- মই ৰাইজৰ লগতেই আছোঁ আৰু থাকিম। জনসেৱাই মোৰ লক্ষ্য।

# বামুন্দীত কলিতা জনগোষ্ঠীৰ আঞ্চলিক সমিতি গঠন

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** বৃহত্তৰ অসম গঠন প্ৰক্ৰিয়াত অসমৰ জাতি গঠনৰ ক্ষেত্ৰত কলিতা জনগোষ্ঠীয়ে সদায়েই এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বৰ্তমান সময়ত সকলো জনগোষ্ঠীয়ে নিজৰ উন্নয়নৰ হকে বিভিন্ন প্ৰক্ৰিয়া অৱলম্বন কৰি উন্নয়ন পৰিষদ স্বায়ত্ত পৰিষদ গঠন কৰি নিজৰ প্ৰাপ্য অধিকাৰ লাভ কৰি আহিছে। কিন্তু বৰ্তমান সময়ত কলিতা জনগোষ্ঠীৰ লোক সকল সদায়েই অসংগঠিত আৰু অৱহেলিত হৈ আহিছে। কিন্তু কলিতা জনগোষ্ঠীৰ লোকসকলেও নিজৰ অধিকাৰ আজুৰি আনিবলৈ কলিতাসকলক সু সংগঠিত কৰি ৰাখিবলৈ সদৌ কলিতা জনগোষ্ঠীয়ে নিজৰ সংগঠন শক্তিশালীকৰণ কৰিবৰ কাৰণে বিভিন্ন জিলা আৰু আঞ্চলিক সমিতি গঠন কৰি আহিছে। আৰু সেই মৰ্মে আজিও কলিতা জনগোষ্ঠীৰ কামৰূপ জিলা সমিতিৰ অন্তৰ্গত বামুন্দী আঞ্চলিক গঠনৰ কাৰণে বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰাল প্ৰেক্ষাগৃহত এখনি সভা অনুষ্ঠিত কৰে। যতীন ঠাকুৰীয়া, ধনঞ্জয় কলিতা, শৰৎ ঠাকুৰীয়া, জয়ন্ত কলিতা আৰু কুমুদ কলিতাৰ আহ্বান মৰ্মে অনুষ্ঠিত হোৱা সভাখনত কলিতা জনগোষ্ঠীৰ কামৰূপ জিলা সমিতিৰ সভাপতি ৰঞ্জন ডেকাই সভাপতিত্ব কৰে। শতাধিক লোকে অংশগ্ৰহণ কৰা সভাখনত কলিতা জনগোষ্ঠীৰ কামৰূপ জিলা সমিতিৰ সাধাৰণ সম্পাদক পংকজ কলিতাই সভাৰ উদ্দেশ্য ব্যাখা কৰি কয় যে - অসমত কলিতা জনগোষ্ঠীৰ ভূমিকা সদায়েই উল্লেখনীয়। অসমীয়া বুলি যিটো সাংস্কৃতিক ধাৰনা মনলৈ আহে। অসমত সেই ধাৰনাটো সৃষ্টি কৰা ব্যক্তি সকলেই হৈছে কলিতা জনগোষ্ঠীৰ লোকসকল। কিন্তু কলিতা সকলে নিজৰ ৰীতি- নীতি সংস্কৃতিক জনগোষ্ঠীয় ৰূপ নিদি অসমৰ সামূহিক কল্যাণৰ বাবে একান্ত ভাৱে কাম কৰি কৰি সময়ৰ সোঁতত নিজকে হেৰুৱাই পেলালে। কিন্তু আমাৰ অধিকাৰ আমাক লাগিব আৰু অধিকাৰ সদায়েই আজুৰি আনিব লাগিব বুলি মন্তব্য প্ৰদান কৰে। কলিতাই অসমৰ পৰীক্ষা ব্যৱস্থাসমূহত আসন সংৰক্ষণৰ কাৰণে কলিতা জনগোষ্ঠীৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকল সদায়েই উপেক্ষিত হৈ আহিছে বুলি মন্তব্য প্ৰদান কৰি চৰকাৰক পৰীক্ষা ব্যৱস্থাসমূহত আসন সংৰক্ষণৰ নিয়মটো শেষ কৰি দিবৰ কাৰণে দাবী উত্থাপন কৰে।

# জুবিন গাৰ্গক মৰণোত্তৰভাৱে প্ৰদান কৰিলে সংগীতসুধাকৰ অভিধা

## জুবিন গাৰ্গে ৰচনা কৰা সকলো গীত জুবিন সংগীত হিচাপে নামকৰণ কৰা হ'ব ঃ ড° বসন্ত কুমাৰ গোস্বামী



**ৰমেন ভৰালী, বংশৰ ঃ** "জুবিন গাৰ্গে ৰচনা কৰা সকলো গীত জুবিন সংগীত হিচাপে নামকৰণ কৰা হ'ব। লগতে, ছয়মাহৰ ভিতৰত জুবিন গাৰ্গ ৰচনাৱলী প্ৰস্তুত কৰিব অসম সাহিত্য সভাই।" — যোৱা ৩০ জুলাইত অসম সাহিত্য সভাৰ সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত আয়োজিত জুবিন গাৰ্গক মৰণোত্তৰভাৱে প্ৰদান কৰা 'সংগীতসুধাকৰ' অভিধা প্ৰদান অনুষ্ঠানত এই মন্তব্য কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। ভাষণ প্ৰসংগত লগতে ড° গোস্বামীয়ে কয়— "অসমৰ সংগীত, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত জুবিন গাৰ্গে আগবঢ়োৱা অসামান্য অৱদানৰ স্বীকৃতি স্বৰূপে অসম সাহিত্য সভাই তেওঁক মৰণোত্তৰভাৱে ৩০ জুলাইত 'সংগীতসুধাকৰ' অভিধাৰে বিভূষিত কৰিলে।" অনুষ্ঠানৰ আৰম্ভণিতে প্ৰাণৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰে সভাৰ সভাপতিৰ লগতে জুবিন গাৰ্গৰ পৰিয়ালবৰ্গই। ইয়াৰ পাছতে গণেশগুৰি শাখা সাহিত্য সভাৰ শিল্পীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী...' গীত পৰিৱেশন কৰাৰ পাছত প্ৰধানসম্পাদক দেৱজিৎ বৰাই উদ্দেশ্যৰ কথকতা আগবঢ়াই কয় যে— "জুবিন গাৰ্গ কেৱল এজন সফল গায়কেই নহয়, তেওঁ অসমৰ সংগীত জগতখনক এক নতুন যুগলৈ আগুৱাই নিয়া এজন যুগস্ৰষ্টা শিল্পী। আধুনিক অসমীয়া সংগীতক সৰ্বভাৰতীয় পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতুলনীয়। সংগীতৰ লগতে অভিনয়, চলচ্চিত্ৰ পৰিচালনা, সুৰ সৃষ্টি, গীত ৰচনা আদি বিভিন্ন ক্ষেত্ৰত তেওঁৰ সৃষ্টিশীল প্ৰতিভাই অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰি আহিছে। তিনিটা দশকৰো অধিক সময় ধৰি অসমৰ জনসাধাৰণৰ হৃদয়ত স্থান লাভ কৰা জুবিন গাৰ্গৰ সৃষ্টিকৰ্ম প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিব। আজিৰ তাৰিখৰ পৰা বিশ্বৰ বুকুত জুবিন গাৰ্গ চিনাকি হ'ব— "সংগীতসুধাকৰ জুবিন গাৰ্গ"। অসম সাহিত্য সভাৰ উদ্যোগত আৰু নাহৰ শাখা সাহিত্য সভাৰ সহযোগত আয়োজিত বিশ্ববিশ্ৰুত প্ৰাণৰ শিল্পী, অভিনেতা, চিত্ৰ পৰিচালক, খেলুৱৈ, গীতিকাৰ, সুৰকাৰ, বাদ্যযন্ত্ৰী, কবি, সাহিত্যপ্ৰেমী, প্ৰকৃতিপ্ৰেমী, সমাজকৰ্মী, দীনবন্ধু, সংগঠক, বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য জুবিন গাৰ্গলৈ আগবঢ়োৱা 'সংগীতসুধাকৰ' অভিধা গ্ৰহণ কৰে পৰিয়ালৰহৈ জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী ড° পামী বৰঠাকুৰে। পিতৃ কপিল ঠাকুৰ শাৰিৰীক অসুস্থতাৰ বাবে উপস্থিত থাকিব নোৱাৰিলে যদিও সাহিত্য সভালৈ পঠোৱা বাৰ্তাত অসম সাহিত্য সভাই গ্ৰহণ কৰা এই পদক্ষেক অত্যন্ত সুখী বুলি উল্লেখ কৰিছে। ইফালে সংগীতসুধাকৰ অভিধা গ্ৰহণ কৰি গৰিমা শইকীয়া গাৰ্গে ভাষণ প্ৰসংগত কয়— "মানুহৰ মাজত জুবিনক বিচাৰি পাওঁ। আজি অসম সাহিত্য সভাই যি সংগীতসুধাকৰ অভিধাৰে বিভূষিত কৰিলে, সেই নামেৰে এতিয়াৰ পৰা জুবিন গাৰ্গক সংগীতসুধাকৰ বুলি বিশ্বই জানিব। লগতে, ভাষণ প্ৰসংগত কয়— জুবিনৰ স্বীকৃতিৰ চিনস্বৰূপে অসম সাহিত্য সভাই আজি যিখিনি কৰি দেখুৱালে, জুবিন পত্নী হিচাপেই নহয় জুবিন অনুৰাগী হিচাপে আমি সকলোৱেই ধন্য হৈছোঁ আৰু নিজে বৰ গৰ্ব অনুভৱ কৰিছোঁ। সাহিত্য সভাৰ প্ৰতি বদান্যতা স্বীকাৰ কৰিলোঁ। আনহাতে, জুবিন গাৰ্গৰ ভগ্নী ড° পামী বৰঠাকুৰে ভাষণ প্ৰসংগত উল্লেখ কৰে যে— "জুবিন গাৰ্গে উৎসৰ পৰা সাগৰলৈ যোৱাৰ দৰে যি ব্যক্তিত্ব প্ৰদৰ্শন কৰিছিল আজিৰ এই অভিধা প্ৰদানৰ এই স্মাৰকখনেও তাকেই প্ৰকাশ কৰিছে। এই স্মাৰকখনৰ শব্দ প্ৰয়োগৰ মাধুয্যতাই আমাক অসম সাহিত্য সভাৰ প্ৰতি কৃতজ্ঞ কৰি ৰাখিব। অসম সাহিত্য সভা যে আনতকৈ পৃথক সেই কথা তেওঁলোকৰ কৰ্মই প্ৰমাণ কৰি দেখুৱাইছে। আমাৰ কৃতজ্ঞতা জনোৱাৰ কোনো ভাষা নাই।" বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই ভাষণ প্ৰসংগত কয়—"আজিৰ যিটো পৰিৱেশত সংগীতসুধাকৰ সন্মান প্ৰদান কৰা হৈছে, সেই সন্মান গ্ৰহণ কৰি জুবিন গাৰ্গ আজি ধন্য হ'লহেঁতেন। যদিও তেওঁ আমাৰ মাজত নাই, তেওঁৰ শিল্পী সত্তাটো সদায় আমাৰ মাজত জীৱন্ত হৈ থাকিব। ভাষণ প্ৰসংগত ৰাজখোৱাই লগতে কয়—"শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ বানাক্ৰান্তৰ প্ৰতি আমাৰ সহমৰ্মিতা আছে। বানত মৃত্যু হোৱা লোকৰ প্ৰতি আমাৰ শ্ৰদ্ধাৰ্ঘ আৰু নিবেদন কৰিছোঁ। ক্ষতিগ্ৰস্ত লোকে ক্ষতিপূৰণ পাবই লাগিব।" ইয়াৰ পাছতে গৰিমা শইকীয়া গাৰ্গে প্ৰফুল্ল বৰ্মনৰ দ্বাৰা সংকলিত সম্পাদিত 'জুবিন গাৰ্গ' নামৰ এখন গ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সংস্কৃত পণ্ডিত তথা দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰবীন্দ্ৰ দেৱশৰ্মাই জুবিন গাৰ্গৰ ব্যক্তি আৰু ব্যক্তিত্বৰ ওপৰত সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে। সভাৰ আৰম্ভণিতে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ চৌহদলৈ আদৰণি তোৰণৰ পৰা গায়ন-বায়নেৰে জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিৰ লগতে পত্নী গৰিমা গাৰ্গ, ভগ্নী ড° পামী বৰঠাকুৰ আৰু জুবিন অনুৰাগীসকলক আদৰি আনে। অনুষ্ঠানটো সফল ৰূপায়ণত সহায়-সহযোগিতা আগবঢ়োৱা গুৱাহাটীৰ নাহৰ শাখা সাহিত্য সভাৰ সভাপতি ৰুমী বৰপূজাৰী, সম্পাদক তৃষ্ণা মহন্ত শইকীয়াৰ লগতে মানৱতা মহেশ্বৰী সংস্থাৰ নিতুমণি দেৱৰয় আৰু সংগীতা দাস, বিভূতি ভূষণ তালুকদাৰ, মনস্তত্ববিদ কঙ্কণ শৰ্মা আৰু মৃত্যুঞ্জয় মহন্তক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সন্ধিয়া জুবিন গাৰ্গৰ সংগীতক কেন্দ্ৰ কৰি আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ নবীন আৰু প্ৰতিষ্ঠিত শিল্পীসকলে জুবিন গাৰ্গৰ কালজয়ী সংগীত, নৃত্য, নাট আদি পৰিৱেশন কৰি শ্ৰদ্ধাঞ্জলি জনায়।

# বোকা-মাটিৰ গোন্ধত সোণালী সপোন বুটলিছে কৃষক-ৰোৱনীয়ে

**নগেন তালুকদাৰ, নলবাৰী ঃ** শাওণ মাহ মানেই কৃষক সমাজৰ বাবে আশা আৰু নতুন সপোনৰ এক সুন্দৰ আৰম্ভণি। অসমীয়া বছৰটোৰ চতুৰ্থটো মাহ শাওণৰ আগমণৰ লগে লগেই গ্ৰাম্য জীৱনলৈ, বিশেষকৈ কৃষকসকলৰ মাজলৈ নামি আহিছে অনাবিল আনন্দ আৰু ব্যস্ততা। উজনি অসমৰ তিনিখন জিলাত নাগালেণ্ডৰ পাহাৰৰ পৰা নামি অহা প্ৰলয়ংকাৰী বানে সংহাৰী ৰূপ ধাৰণ কৰি কৃষকে নানা সপোন দেখা মৰমৰ কৃষি পথাৰখনৰ লগত আপোন ঘৰখনো নিঃশেষ কৰি থৈ গৈছে। এই সময়তে জিলা তিনিখনৰ মহান কৃষকসকলৰ লগতে ৰোৱনীসকললৈ দুহাত মিলাই শ্ৰদ্ধা প্ৰণাম জনাইছো। নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ খখৰিশাল, গদিৰা, গংগাপুৰ, কুমাৰীকাটা, জাগাৰা, নপ্তিপাৰা, বলোৱা, গোৱালপাৰা, দেহৰ কালাকুছি, নলিছা আদি গাঁওসমূহ সামৰি বিস্তৃত কৃষিভূমি এতিয়া কেৱল সেউজীয়াৰ সমাৰোহেৰে ভৰি পৰিছে। বোৱাৰীপুৱাতে বিচনা ত্যাগ কৰি, পূৰ্ব দিগন্তত ৰবিৰ প্ৰথম কিৰণ সংস্পৰ্শ কৰাৰ আগতেই কপালৰ ঘাম মাটিত পেলাই খেতি পথাৰত ব্যস্ত হৈ পৰে অঞ্চলটোৰ পুৰুষ-মহিলা উভয় খেতিয়কসকল। চহা কৃষক ৰাইজৰ আশা-ভৰসা আৰু সপোনৰ পথাৰখন কঠীয়াৰে উপচাই তুলিবলৈ তেওঁলোকৰ উছাহ নধৰা হৈছে। প্ৰতিগৰাকী কৃষকে নানা কষ্ট স্বত্বেও অধিক উছাহেৰে নামি পৰিছে পথাৰত। ৰাতিপুৱাৰ পৰা গধূলিলৈকে গোটেই দিনটো প্ৰচণ্ড ৰ'দ-বৰষুণকো নেওচি নিজৰ খেতি পথাৰ ডৰাত ব্যস্ত প্ৰতিগৰাকী কৃষক-ৰোৱনী। একাঁঠু পানীত কোৰ আৰু কঠীয়া লৈ পথাৰৰ কামত নিজক উৎসৰ্গা কৰিছে। সমগ্ৰ বছৰটোৰ লঘোণ আঁতৰাই ভঁৰালঘৰ শস্যৰে সংৰক্ষণ কৰাৰ অলীক সপোন বুকুত বান্ধি তেওঁলোক আগবাঢ়িছে। বোৱাৰী-জীয়ৰীসকলেও এই ভৱিষ্যতৰ সপোন পুহি ৰখা পথাৰখনত বিভিন্ন জাতৰ ৰূপণৰ বাবে নামি পৰিছে। ৰোৱনীসকলে পথাৰত কঠীয়া ৰোপণ কৰাৰ যি নান্দনিক দৃশ্য, সেয়া সঁচাকৈয়ে নয়নজুৰোৱা। এদিন এই কোমল কঠীয়াবোৰে প্ৰাণ পাই উঠিব আৰু সোণালী ধানৰ থোক মেলিব। স্মৰ্তব্য যে, এসময়ত প্ৰতিগৰাকী কৃষকৰ ঘৰে ঘৰে থকা গৰু-হালৰ দৃশ্যটো আজিকালি সময়ৰ সোঁতত যেন হেৰাই গৈছে। গৰুহালৰ ঠাইত এতিয়া পথাৰৰ মাটি চহাবলৈ আধুনিক পাৱাৰ টিলাৰ বা ট্ৰেক্টৰে ঠাই দখল কৰিছে। সম্প্ৰতি কৃষকসকলে এই আধুনিক যন্ত্ৰপাতিৰ সহায়ত অতি কম সময়তে মাটি চহাই কঠীয়া ৰোপণৰ কাম দ্ৰুতগতিত চলাই নিয়া দেখা গৈছে। এই বৃহত্তৰ অঞ্চলটোৰ গাঁওসমূহত এতিয়া বোকা-মাটিৰ সেউজীয়া গোন্ধ আৰু খেতিয়কসকলৰ কলকলনিয়াত এক সুন্দৰ আৰু জীৱন্ত পৰিৱেশে বিৰাজ কৰিছে। মাটিৰ গোন্ধ আৰু কঠীয়া ৰোপণৰ এই মনোৰম দৃশ্যই প্ৰমাণ কৰে যে সকলো প্ৰত্যাহ্বান নেওচি আমাৰ খেতিয়ক সমাজ আজিও দেশৰ 'অন্নদাতা' হিচাপে গৌৰৱেৰে থিয় দি আছে।

# চৰাইদেউৰ বানপীড়িতৰ কাষত প্ৰাক্তন আলফা ঐক্য মঞ্চসহ নগাঁৱৰ তিনি সামাজিক সংগঠন



**জয়ন্ত মুদৈ, নগাঁও ঃ** শেহতীয়াকৈ হঠাৎ অহা প্ৰলয়ংকৰী বানে তচনচ কৰিলে উজনি অসমৰ শিৱসাগৰ চৰাইদেউ আৰু যোৰহাট জিলাক। বানে ধোৱা এই জিলাকেইখনত এতিয়া বোকা আৰু পলসৰ মাজত নিজৰ আপোন ঘৰখন বিচাৰি হাহাকাৰ কৰিছে বন্যাৰ্তই। খেতিপথাৰ, পশুধন সকলো হেৰুৱাই জুৰুলা হৈ পৰা লোকসকলৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছে। বানে জহাই-খহাই নিয়া ঘৰবোৰত এতিয়া থানবান হোৱা ভৱিষ্যতৰ সপোনৰ টুকুৰা বুটলাত ব্যস্ত হৈ পৰিছে দুৰ্ভগীয়া লোকসকল। বানৰত দিশহাৰা হৈ পৰা এইসকল বন্যাৰ্তৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে হৃদয়ৱান প্ৰতিজন জনতাই। মুহূৰ্ততে জীৱনৰ গতি সলনি কৰি দিয়া বানাক্ৰান্ত পৰিয়ালসমূহলৈ প্ৰতিদিনে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে আগবঢ়াইছে বান সাহাৰ্য। ইয়াৰ মাজতে বানপীড়িত লোকসকলক কিছু পৰিমাণে হ'লেও সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে শনিবাৰে পুৱাই নগাঁও জিলাৰ সামাজিক সংগঠন জংগম বহুমুখী সমবায় সমিতি, শ্ৰীমন্ত শংকৰদেৱ বহুমুখী সমবায় সমিতি আৰু প্ৰাক্তন আলফা ঐক্য মঞ্চৰ নগাঁও জিলা সমিতিৰ কৰ্মকৰ্তাসকল উপস্থিত হয়গৈ বানে বিধ্বস্ত কৰা চৰাইদেউত। সংগঠন তিনিটাৰ কৰ্মকৰ্তাসকলে চৰাইদেউ জিলাৰ বানে ঢাহি-মুহি নিয়া চুমনি, মৰাণগাঁও, টেঙাপুখুৰী আৰু চতিয়ালৰ দুৰ্গতসকলৰ কাষত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে খোৱাপানী, পাঁচলি, বস্ত্ৰ আদিকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। এই বান সাহায্য অভিযানত চৰাইদেউৰ নিৱাসী সদৌ অসম উদ্যোগিক সন্থাৰ সম্পাদক বিতোপন দিহিঙীয়া আৰু শিৱসাগৰৰ সমাজকৰ্মী অনুপম নাথে বিশেষভাৱে সহযোগিতা আগবঢ়ায়। এই বান সাহায্য অভিযানত সংগঠন তিনিটাৰ ৰাজীৱ কুমাৰ হাজৰিকা, ভাস্কৰজ্যোতি নাথ, ধন্তি বৰা, দুল বৰা, ভাস্কৰ বৰা, অনন্ত দাস, ভূপেন নাথ, জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈকে ধৰি কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

# শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ বিশেষ স্বাস্থ্য শিৱিৰ অব্যাহত

## এতিয়াও বঞ্চিত ভিতৰুৱা বহু বানাক্ৰান্ত অঞ্চল

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহত স্বাস্থ্য বিভাগে যোৱা ২০ জুলাইৰ পৰা নিৰৱচ্ছিন্নভাৱে 'বিশেষ স্বাস্থ্য শিৱিৰ' অনুষ্ঠিত কৰি জনসাধাৰণক প্ৰয়োজনীয় সকলোধৰণৰ স্বাস্থ্যসেৱা আগবঢ়াই আহিছে বুলি জানিবলৈ দিছে। এই বিশেষ স্বাস্থ্য শিৱিৰসমূহত আগবঢ়োৱা হৈছে সাধাৰণ স্বাস্থ্য পৰীক্ষা, বিনামূলীয়াকৈ ঔষধ, প্ৰসূতিৰ স্বাস্থ্য পৰীক্ষা, প্ৰয়োজন অনুসৰি চিকিৎসা পৰামৰ্শ আৰু উন্নত চিকিৎসাৰ বাবে প্ৰেৰণৰ ব্যৱস্থা, মানসিক স্বাস্থ্যৰ পৰামৰ্শ আৰু সজাগতা, ৰোগ সম্পৰ্কীয় বিভিন্ন স্বাস্থ্য সজাগতা কাৰ্যসূচীৰ লগতে বানপানীৰ পিছত ল'বলগা সাৱধানতা ইত্যাদি। এই সময়ত জাপানী এনকেফেলাইটিছকে ধৰি বিভিন্ন বাহকজনিত ৰোগৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ জিলাখনত তীব্ৰতৰ কৰি তোলা হৈছে মেলেথিয়ন ফ'গিঙৰ কাৰ্যসূচীৰ লগতে তেজৰ নমুনা সংগ্ৰহ আৰু পৰীক্ষাও কৰি থকা হৈছে। এই ক্ষেত্ৰত গোলাঘাট আৰু তিনিচুকীয়াৰ পৰা অহা ভ্ৰাম্যমাণ চিকিৎসা গোটসমূহেও পাৰ্যমানে চিকিৎসা সেৱা আগবঢ়াই আহিছে। লগতে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ পৰা অহা এটি দলে অহৰহ চিকিৎসা সেৱা প্ৰদান কৰি আহিছে। জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে অৱগত কৰা অনুসৰি, জিলাখনৰ বিভিন্ন স্থানত বানাক্ৰান্ত লোকৰ বাবে মুঠ ৭২টা স্বাস্থ্য শিৱিৰ অনুষ্ঠিত হৈছে। আনহাতে জিলা স্বাস্থ্য বিভাগে ব্যৱস্থা কৰা এই স্বাস্থ্য শিৱিৰসমূহে বৰ্তমানেও জিলাৰ ভিতৰুৱা বহু বানাক্ৰান্ত অঞ্চল স্পৰ্শ কৰিব পৰা নাই বুলি বানাক্ৰান্ত ৰাইজে ব্যক্ত কৰিছে।

# শুৱালকুছি বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

## শিক্ষাবৰ্ষতেই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লক্ষ্য স্থিৰ কৰা উচিত ঃ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছিৰ অন্যতম শিক্ষানুষ্ঠান বুদৰাম-মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় শুৱালকুছিৰ ১ আগষ্টত ৬৪ সংখ্যক প্ৰতিষ্ঠা দিৱস সুকলমে অনুষ্ঠিত হৈ যায়।মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাই পুৱাৰ ভাগতেই পতাকা উত্তোলনৰে শুভাৰম্ভ কৰা প্ৰতিষ্ঠা দিৱসত শ্বহীদ তৰ্পণ কৰে উপাধ্যক্ষ ভূপেন চন্দ্ৰ বৰ্মন শিক্ষক গোটৰ সভাপতি ড° পুলিন চন্দ্ৰ শৰ্মা আৰু ছাত্ৰ একতা সভাৰ সভাপতি কুলদীপ দাসে। দিনৰ এঘাৰ বজাত এখনি অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাৰ সভাপতিত্বত মুকলি সভাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিৰাজ কুমাৰ দাসে উদ্বোধন কৰা মুকলি সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰি হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা জীৱনৰ মূল উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ত অধিক মনোগ্ৰাহী হ'বলৈ আহ্বান জনাই কয় যে, শিক্ষাবৰ্ষতেই ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জীৱনৰ লক্ষ্য স্থিৰ কৰিব লাগে। যিহেতু ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যত সেয়ে শৈক্ষিক সময় অযথা আড্ডা পিটি শেষ নকৰি নিজৰ লক্ষ্যত উপনীত হৈ দেশৰ সেৱাত সমাজৰ সেৱাত ব্ৰতী হ'লেহে দেশৰ পৰা দুস্কৃতি নাশ হ'ব। সত্ৰ, নামঘৰ শিক্ষানুষ্ঠান জাতিৰ প্ৰাণ প্ৰতিষ্ঠান। এইবোৰৰ ইতিহাস অধ্যয়ন কৰিব লাগে বুলিও মন্তব্য কৰে। কাৰণ যি জাতিৰ শিক্ষা নাই সেই জাতিৰ স্থায়িত্ব বা উন্নতি নাই। দেশৰ মেৰুদণ্ড স্বৰূপ ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যত গঢ়াৰ বাবে সংকল্পবদ্ধ হ'ব লাগে বুলি কয়। বিশিষ্ট অতিথি ডাটামেচনৰ স্বত্বাধিকাৰী পৱন কুমাৰ আগৰৱালাই মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'অৰুণাভ' উন্মোচন কৰি ছাত্ৰ জীৱন অমূল্য সম্পদ বুলি মন্তব্য কৰি ছাত্ৰ-ছাত্ৰীসকলক অধ্যাৱসায়ৰ জৰিয়তেই নিজৰ দায়িত্ব পালন কৰিব পাৰিলেহে মহাবিদ্যালয়ৰ মূল্যাংকন হ'ব বুলি কয়। সভাত ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ পূৰ্বাঞ্চল আঞ্চলিক সমিতিৰ অধ্যক্ষ ড° দিব্যজ্যোতি মহন্ত উপস্থিত থাকে। প্ৰতিষ্ঠা দিবসৰ আনন্দ উল্লাসৰ স্মৃতি ৰোমন্থন কৰি প্ৰাক্তন উপাধ্যক্ষ ড° যোগেশ ডেকা, ড° দিপুল কুমাৰ দাস, উদ্দীপনা দাস, নৰেশ শৰ্মা আৰু জিন্তু দাসে ভাষণ প্ৰদান কৰে। শলাগৰ শৰাই আগবঢ়াই অধ্যাপক অতুল চন্দ্ৰ দাসে।

# নিয়মীয়াকৈ অনুশীলন কৰিলেহে কৰ্মশালাৰ উদ্দেশ্য পূৰণত সফলতা আনে ঃ মলিন কলিতা



**ৰমেন ভৰালী, বংশৰ ঃ** কৰ্মশালাই নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীক সদায় আকৰ্ষণ কৰে আৰু যি কোনো বিষয় শিকাৰ বাবে আগ্ৰহী হৈ পৰে। পাঁচদিনীয়া অথবা এমাহৰ কৰ্মশালাই বিষয়বস্তুৰ ওপৰত জ্ঞানহে প্ৰদান কৰে। কিন্তু ইয়াক ভালদৰে জানিবলৈ বা আয়ত্ত কৰিবলৈ হ'লে প্ৰতিদিনে নিয়মীয়া অনুশীলনৰ প্ৰয়োজন। এই মন্তব্য শুৱালকুছিৰ বিশিষ্ট ভাগৱতী তথা উদীয়মান সমাজকৰ্মী, কবি মলিন কলিতাৰ। যোৱা ৩১ জুলাইত শুৱালকুছিৰ শ্ৰীশ্ৰী শংকৰদেৱ ধামত অনুষ্ঠিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি তেওঁ পুনৰ কয় যে শিকাৰ আগ্ৰহে ছাত্ৰ-ছাত্ৰীসকলক বহু দূৰ আগবঢ়াই নিব পাৰে। সেয়েহে সকলো বিষয় আগ্ৰহৰে শিকাৰ ধৈৰ্য থাকিলে শিক্ষাৰ্থীসকলে নিজৰ লক্ষ্য পূৰণত সফল হ'ব পাৰে। তেওঁ পুনৰ কয় যে আমি সদায় নিজৰ মা আৰু মাতৃভাষাক পাহৰিব নালাগে। উজনিৰ বানে অসমীয়াৰ যে এক বৃহৎ একতা আছে তাক পৰিস্ফুট কৰি তুলিছে। বিপদৰ সময়ত ইজনে সিজনক সহায় কৰাটোৱে অসমীয়া মানুহৰ ধৰ্ম বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে উজনিৰ বানে মানুহক যি শিক্ষা দি গ'ল সেয়া সঁচাকৈয়ে এক দুৰ্ভাগ্যজনক। বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালৰ তেওঁ দুখৰ সমভাগী হোৱা বুলি দোহাৰে। তেওঁ নটৰাজ কলাকেন্দ্ৰৰ তত্ত্বাবধায়ক তথা আগশাৰীৰ নৃত্যশিল্পী গীতাঞ্জলি কলিতাৰ একক প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উন্নয়ন বিষয়া অনুপ বৰুৱাই হাজো- শুৱালকুছি বিধানসভা সমষ্টিত দুটা গ্ৰীষ্মকালীন কৰ্মশালা হোৱাৰ কথা উল্লেখ কৰি ইয়াৰে এটা শুৱালকুছিত আৰু আনটো ৰামদিয়াত হোৱাৰ কথা কয়। তেওঁ শুৱালকুছিৰ কৰ্মশালাই ইয়াৰ ল'ৰা-ছোৱালীসকলক যথেষ্ট উপকৃত কৰিব বুলি উল্লেখ কৰি নৃত্যশিল্পী গীতাঞ্জলি কলিতাৰ বলিষ্ঠ পদক্ষেপে এই কৰ্মশালা সাফল্যমণ্ডিত কৰা বুলি দোহাৰে। সভাত বংশৰৰ সমাজকৰ্মী অনন্ত কুমাৰ দাস, শিল্পী জগৎ চন্দ্ৰ বৰবায়ন, নটৰাজ কলা কেন্দ্ৰৰ উপ-সভাপতি ডাঃ শ্যামন্ত কলিতা উপস্থিত থাকে। অনুষ্ঠানত শুৱালকুছিৰ জ্যেষ্ঠ সাংবাদিক দিলীপ মেধি আৰু পুলিন দাসক গামোচা আৰু স্মাৰকেৰে সম্বৰ্ধনা জনায় উদ্যোক্তাসকলে। উল্লেখ্য যে ৰাজ্যৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত, কামৰূপ জিলা প্ৰশাসনৰ সহযোগত আৰু শুৱালকুছি নটৰাজ কলা কেন্দ্ৰৰ তত্ত্বাৱধানত অনুষ্ঠিত কৰ্মশালাত সত্ৰীয়া নৃত্য, ভূপেন্দ্ৰ সংগীত, ৰাভা সংগীত, জ্যোতি সংগীত আদিৰ নৃত্যশৈলীও শিকোৱা হয়। শতাধিক প্ৰশিক্ষাৰ্থীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। শুৱালকুছি নটৰাজ কলা কেন্দ্ৰৰ তত্ত্বাবধায়ীকা গীতাঞ্জলি কলিতাই আঁত ধৰা সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰি পৰিবেশটো জীপাল কৰি তোলে। কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো শিক্ষাৰ্থীক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। নৃত্যশিল্পী গীতাঞ্জলি কলিতাৰ এনে প্ৰচেষ্টাৰ শলাগ লৈছে অভিভাৱক আৰু স্থানীয় ৰাইজে।

# কমলপুৰৰ দগাঁৱৰ পিজ্ঞাপাৰভিছা ৱাহিদাৰ Neet UGত সাফল্য অৰ্জন

**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** কমলপুৰৰ দগাঁৱৰ তহিদ আলীৰ আৰু ৰুছিয়া বেগমৰ কন্যা পিজ্ঞাপাৰভিছা ৱাহিদাৰ Neet UG পৰীক্ষাত উত্তীৰ্ণ হৈ কমলপুৰলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী তহিদ আলীৰ দুগৰাকী কন্যা সন্তানে দুবছৰত Neet UG পাবলৈ সক্ষম হৈছে। ইপিনে জ্যেষ্ঠ ভগ্নীয়ে তেজপুৰ মেডিকেল কলেজত পঢ়ি থকা সময়তে কনিষ্ঠ ভগ্নীয়ে সদ্য ঘোষিত Neet,UG পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। দুগৰাকী ভগ্নীৰ সফলতাত অঞ্চলজুৰি আনন্দৰ বন্যা বৈছে। দুয়োগৰাকী মেধাৱী ছাত্ৰী তথা দুগৰাকী ভগ্নীৰ সফলতাত অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানে সম্বৰ্ধনা জ্ঞাপন কৰিছে। দুয়োগৰাকী ভগ্নীয়ে সু চিকিৎসক




হৈ গাঁৱৰ তথা অঞ্চলটোত চিকৎসা সেৱা আগবঢ়োৱাৰ মন। উল্লেখ্য যে পাৰভিছা ৱাহিদাৰ নীট ইউ জি পৰীক্ষাৰ ৫৫০ নম্বৰ লাভ কৰে।

# অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ 'স্প'ৰ্টছ ক্লাৱ'ৰ ভলীবল সম্পাদক হিচাপে বিপুল ভোটত জয়লাভ গৌতম বেজবৰুৱাৰ



**নগেন তালুকদাৰ, নলবাৰী ঃ** অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ 'স্প'ৰ্টছ ক্লাৱ'ৰ শেহতীয়া সাধাৰণ নিৰ্বাচনত নলবাৰীৰ কৃতী সন্তান গৌতম বেজবৰুৱাই ভলীবল সম্পাদক পদত বিপুল ভোটত বিজয়ী হৈ এক বিশেষ সাফল্য অৰ্জন কৰিছে। তেওঁৰ এই সফলতাই নলবাৰী জিলাৰ সমগ্ৰ জাগাৰাবাসীক উৎফুল্লিত কৰি তুলিছে। গৌতম বেজবৰুৱা হৈছে প্ৰখ্যাত ভাৱৰীয়া শিল্পী প্ৰয়াত সত্যৰাম বেজবৰুৱা আৰু লাৱণ্য বেজবৰুৱাৰ সুযোগ্য সন্তান। নলবাৰী জিলাৰ বেলশৰ থানাৰ অন্তৰ্গত জাগাৰা গাঁৱৰ গোপালপুৰ চুবুৰীৰ বাসিন্দা বেজবৰুৱা বৰ্তমান নলবাৰী বৈদ্যুতিক উপ-সংমণ্ডল-২ ত কনিষ্ঠ প্ৰবন্ধক (Junior Manager) হিচাপে কৰ্মৰত। যোৱা ২০ জুন, ২০২৬ তাৰিখে গৌতম বেজবৰুৱাই ভলীবল সম্পাদক পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছিল। তাৰ পিছত ২৬ জুলাইত নাৰেংগী আৱাসিকৰ কনফাৰেঞ্চ হ'লত প্ৰাক্তন CGM সুৰেশ কাইমাল, CGM upper assam, AEGCL ৰ ৰিজুমণি শৰ্মা, আৰু তিনিওটা কোম্পানীৰ CGM ৰ প্ৰত্যক্ষ তত্ত্বাবধানত সমগ্ৰ অসমজুৰি বেলট পেপাৰৰ যোগেদি সম্পূৰ্ণ স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে ভোটগ্ৰহণ অনুষ্ঠিত হয় আৰু পূৰ্ণাংগ সমিতি গঠন কৰা হয়। এই নিৰ্বাচনত বিপুল ভোটত বিজয়ী হোৱাৰ পিছত গৌতম বেজবৰুৱাই তেওঁক ভোট দি জয়যুক্ত কৰা সমূহ সদস্য-সদস্যা, বিষয়া-কৰ্মচাৰীলৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে পৰাজিত প্ৰাৰ্থীসকলক উদ্দেশ্যি বেজবৰুৱাই কয়, আমি সকলো এখন ঘৰৰে সদস্য। নিৰাশ ভাৱ পৰিত্যাগ কৰি অনাগত দিনবোৰত একেলগে আগবাঢ়ি যাব লাগিব। ASEB Sports Club আমাৰ, আৰু আমাৰ লক্ষ্য ইয়াক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা।

# ৰূপহীৰ আনন্দ দৈমাৰীৰ বিয়োগ, পিতৃহাৰা হ'ল সাংবাদিক মনিল দৈমাৰী



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** শালবাৰী মহকুমাৰ অন্তৰ্গত ৰূপহীৰ ৰাজাবিল গাঁৱৰ বাসিন্দা বিশিষ্ট সমাজকৰ্মী, আদৰ্শ কৃষক, 'বড়ো খৌৰাং' নিউজ চেনেলৰ মুখ্য সম্পাদক তথা মানাহ প্ৰেছ ক্লাৱৰ উপ-সভাপতি মনিল দৈমাৰীৰ পিতৃ আনন্দ দৈমাৰী (৭০)ৰ যোৱা নিশা ১২ বজাত ৰাজাবিল গাঁৱৰ নিজ বাসগৃহত মৃত্যু হয়। আনন্দ দৈমাৰীয়ে যোৱা কিছুদিন ধৰি ৰোগাক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত পত্নী, সাংবাদিক মানিল দৈমাৰীকে ধৰি পাঁচ গৰাকী পুত্ৰ, তিনি গৰাকী কন্যাৰ লগতে অগণন গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। আনন্দ দৈমাৰীৰ মৃত্যুত বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদ, মানাহ প্ৰেছ ক্লাৱ, বাক্সা জিলা বাৰ্তাজীৱী সংঘ, ভৱানীপুৰ সমষ্টি প্ৰেছ ক্লাৱ, ইউপিপিএল, বিপিএফ, এবছুৰ লগতে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। লগতে বৃহত্তৰ শালবাৰী-ৰূপহী অঞ্চলৰ ৰাইজৰ মাজত শোকৰ ছাঁ পৰিছে।

# উজনি অসমৰ বানপীড়িত ৰাইজৰ কাষত তেজপুৰ চিকিৎসা মহাবিদ্যালয় পৰিয়াল



**ৰমেন ভৰালী, বংশৰ ঃ** মানৱ সেৱাৰ মহান আদৰ্শক সন্মুখত ৰাখি উজনি অসমৰ বানপীড়িত লোকসকলৰ সহায়ৰ উদ্দেশ্যে তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিয়ালৰ উদ্যোগত সংগ্ৰহ কৰা সাহায্য সামগ্ৰী ৩১ জুলাইত শিৱসাগৰ জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহত প্ৰায় ৪০০টা বানপীড়িত পৰিয়ালৰ মাজত সফলতাৰে বিতৰণ কৰা হয়। এই মানৱীয় অভিযানত তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ শিক্ষক, চিকিৎসক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী তথা অসংখ্য শুভাকাংক্ষী আৰু হৃদয়বান ব্যক্তিয়ে আগবঢ়োৱা আন্তৰিক সহযোগিতাই সামাজিক দায়বদ্ধতা আৰু মানৱীয় সহমৰ্মিতাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। প্ৰতিগৰাকী দাতাৰ অনুদান-সেয়া সৰু হওক বা ডাঙৰ-দুৰ্যোগত জৰ্জৰিত বহু পৰিয়ালৰ জীৱনত নতুন আশাৰ সঞ্চাৰ কৰিছে। এই সাহায্য অভিযানত প্ৰায় তিনি লাখ টকাৰ নগদ অনুদান আৰু বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী সংগ্ৰহ কৰা হয়। সংগৃহীত অনুদানৰ জৰিয়তে খোৱাপানী, চাউল, দাইল, চিৰা, গাখীৰ, গুড়, নিমখ, অ'আৰ এছ (ORS), গামোচা, মমবাতি, লাইটাৰ, মহ মৰা ধূপ, চাবোন, চেম্পু, ছাৰ্ফ, ফেনাইল, ব্লিচিং পাউডাৰ আদি অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰি শিৱসাগৰ জিলাৰ বাছনি কৰা বানাক্ৰান্ত অঞ্চলসমূহত বিতৰণ কৰা হয়। সাহায্য বিতৰণ কাৰ্যসূচী তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ শিক্ষক সংস্থা, কৰ্মচাৰী সংস্থা আৰু ছাত্ৰ একতা সভাৰ যুটীয়া প্ৰচেষ্টাত ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত গঠিত স্বেচ্ছাসেৱী দলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি সমগ্ৰ কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাই এই মহৎ উদ্যোগ সফল কৰি তোলাত সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়োৱা তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক প্ৰফে. ডাঃ গুণাজিত দাস, শিক্ষক, চিকিৎসক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, প্ৰতিগৰাকী দাতা, স্বেচ্ছাসেৱক আৰু শুভাকাংক্ষীলৈ আন্তৰিক ধন্যবাদ আৰু গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছে। সংস্থাৰ মতে, এই ঐক্যবদ্ধ মানৱীয় প্ৰচেষ্টাই সমাজলৈ সহমৰ্মিতা, সামাজিক দায়বদ্ধতা আৰু মানৱতাৰ এক শক্তিশালী বাৰ্তা কঢ়িয়াই নিছে। আগন্তুক সময়তো যিকোনো প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী পৰিস্থিতিত তেজপুৰ চিকিৎসা মহাবিদ্যালয় পৰিয়াল একেই নিষ্ঠা, দায়বদ্ধতা আৰু মানৱীয় মূল্যবোধেৰে সমাজৰ কাষত থিয় দিব বুলি সংস্থাই দৃঢ় আশাবাদ ব্যক্ত কৰিছে। বান সাহায্য সামগ্ৰী বিতৰণৰ সময়ত তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ সভাপতি অঞ্জন কুমাৰ নাথ, সম্পাদক প্ৰাণজিৎ শৰ্মা আৰু প্ৰাক্তন সম্পাদক জয়ৰাজ শইকীয়াৰ নেতৃত্বত এটি ১৫ জনীয়া দল গৈছিল।

# আন্তঃক্লাব কাৰাটে চেম্পিয়নশ্বিপত বেবেজীয়া কাৰাটে একাডেমীৰ সফলতা



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলা কাৰাটে এছ'চিয়েছনৰ উদ্যোগত সদৌ অসম কাৰাটে এচ'ছিয়েছনৰ সহযোগত যোৱা ২ আগষ্টত নগাঁও চহৰৰ এডিপি কলেজ ইনড'ৰ ষ্টেডিয়ামত সামৰণি পৰা ষষ্ঠ নগাঁও জিলা কাৰাটে আন্তঃ ক্লাৱ কাৰাটে চেম্পিয়নশ্বিপত বেবেজীয়া কাৰাটে একাডেমীয়ে বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ কুৰিৰো অধিক ক্লাৱৰ তিনি শতাধিক কাৰাটেকাৰে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত চিহান পংকজ মুদৈৰ প্ৰশিক্ষণপুষ্ট বেবেজীয়া কাৰাটে একাডেমীৰ খেলুৱৈসকলে কাটা আৰু কুমিটেৰ বিভিন্ন শাখাত অংশগ্ৰহণ কৰি মুঠ ৫৩ টা পদক আজুৰি আনিবলৈ সক্ষম হয়। জানিব পৰা মতে, প্ৰতিযোগিতাখনিত ভাগ লোৱা বেবেজীয়া কাৰাটে একাডেমীৰ দৰ্শনী ডেকাই কুমিটেত ব্ৰঞ্জ, হৰ্ষিত বৰাই কাটা আৰু কুমিটেত সোন, ৰিঅ' পৰাশৰে কাটাত ব্ৰঞ্জ, দিব্যম বৰকটকীয়ে কুমিটেত ৰূপ, অৰুনাভ বৰাই কাটা আৰু কুমিটেত ব্ৰঞ্জ, অৰ্কায়ন হাজৰিকাই কুমিটেত ৰূপ, আভাস প্ৰতিম দাসে কুমিটেত সোন, অংশুনাভ শইকীয়াই কাটা আৰু কুমিটেত ৰূপ, দৃষ্টি দাসে কাটা আৰু কুমিটেত ব্ৰঞ্জ, আয়ুসমান নাথে কুমিটেত সোন, হৃদিষা বৰাই কাটাত ব্ৰঞ্জ, তেজষ হাজৰিকাই কুমিটেত ৰূপ, শিৱাংগী দেৱীয়ে কাটাত ৰূপ আৰু কুমিটেত ব্ৰঞ্জ, চেচং টকবিয়ে কুমিটেত সোন আৰু কাটাত ব্ৰঞ্জ, ধৃতিপ্ৰজ্ঞা মেধীয়ে কাটাত সোন আৰু কুমিটেত ৰূপ, মিহিৰজ্যোতি দাসে কাটাত সোন আৰু কুমিটেত ৰূপ, মৃন্ময় কলিতাই কাটাত ব্ৰঞ্জ আৰু কুমিটেত সোন, পুৰ্বিকা দাসে কাটা আৰু কুমিটেত ব্ৰঞ্জ, নিহাল বৰাই কুমিটেত সোন, নিবিড় হাজৰিকাই কুমিটেত সোন আৰু কাটাত ব্ৰঞ্জ, দীপাংকৰ বৰাই কাটাত সোন আৰু কুমিটেত ৰূপ, লক্ষনীলে কুমিটেত সোন, অভিজ্ঞান অৰিন্দম গোস্বামীয়ে কাটাত ব্ৰঞ্জ, অনকিত দাসে কাটাত ৰূপ আৰু কুমিটেত ব্ৰঞ্জ, নিলোৎপল বৰাই কুমিটেত ৰূপ, নেহা ফুকনে কুমিটেত ৰূপ আৰু কাটাত ব্ৰঞ্জ, লুইত প্ৰতীম দাসে কুমিটেত ব্ৰঞ্জ, ৰিচিক নাথে কাটা আৰু কুমিটেত ৰূপ, প্ৰিন্সি শইকীয়াই কাটা আৰু কুমিটেত সোন, তৰি কাকতিয়ে কাটাত ব্ৰঞ্জ আৰু কুমিটেত ৰূপ, গীতুস্মিতা কাকতিয়ে কাটাত ৰূপ আৰু কুমিটেত ব্ৰঞ্জ, তন্ময় শইকীয়াই কুমিটেত সোন, ৰূনাকনীল শইকীয়াই কুমিটেত ব্ৰঞ্জ, চিৰঞ্জীৱ কাকতিয়ে কুমিটেত ৰূপ আৰু কাটাত ব্ৰঞ্জ পদক লাভ কৰি বেবেজীয়ালৈ গৌৰৱ কঢ়িয়াই আনিছে। বেবেজীয়া কাৰাটে একাডেমীৰ এনে সাফল্যত বেবেজীয়াবাসী ৰাইজ উৎফুল্লিত হৈ পৰাৰ বিপৰীতে সকলো খেলুৱৈৰ লগতে মুখ্য প্ৰশিক্ষক পংকজ মুদৈ, টিম ক'চ প্ৰিন্সি শইকীয়া, বিকাশ বৰা আৰু টিম মেনেজাৰ জয়ন্ত মুদৈ আৰু ৰাজীৱ কুমাৰ হাজৰিকাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# কামৰূপত 'আলাবৈ ৰণ স্মৃতি দিৱস' পালন


## আলাবৈ ৰণৰ বীৰ আহোম শ্বহীদসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি



**ৰমেন ভৰালী, বংশৰ ঃ** ১৬৬৯ খ্ৰীষ্টাব্দৰ ৫ আগষ্টত সংঘটিত ঐতিহাসিক আলাবৈ ৰণত মাতৃভূমিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ আহোম সৈনিকসকলৰ ৩৫৭ সংখ্যক শ্বহীদ দিৱস উপলক্ষে ৫ আগষ্টত আমিনগাঁৱত 'আলাবৈ ৰণ স্মৃতি দিৱস' পালন কৰা হয়। অনুষ্ঠানটি অসম চৰকাৰৰ প্ৰত্নতত্ত্ব সঞ্চালকালয়, জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ, কামৰূপ জিলা প্ৰশাসন আৰু শৰাইঘাট জাৰ্ণেলিষ্ট ফ'ৰামৰ সহযোগত আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত অৱস্থিত আলাবৈ ৰণ স্মৃতি সৌধত পুষ্পাঞ্জলি অৰ্পণ আৰু বন্তি প্ৰজ্বলনৰ জৰিয়তে আলাবৈ ৰণত দেশৰ হকে আত্মবলিদান দিয়া বীৰ আহোম সৈনিকসকলক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে তেওঁৰ বক্তব্যত কয় যে অসমৰ মুখ্যমন্ত্ৰীক আলাবৈ ৰণ আৰু বীৰ আহোম শ্বহীদসকলৰ আত্মবলিদানক জনসাধাৰণৰ মাজত অধিকভাৱে তুলি ধৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কামৰূপ জিলাৰ প্ৰাক্তন জিলা আয়ুক্ত আৰু কামৰূপ জিলাৰ প্ৰাক্তন জ্যেষ্ঠ আৰক্ষী অধীক্ষক ড° পাৰ্থ সাৰথি মহন্তই আলাবৈ ৰণ স্মৃতি ক্ষেত্ৰৰ উন্নয়নৰ বাবে আগবঢ়োৱা অৱদানৰ শলাগ লয়। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই তেওঁৰ বক্তব্যত কয় যে নৱপ্ৰজন্মক আলাবৈ ৰণৰ ইতিহাস আৰু আহোম বীৰসকলৰ অতুলনীয় আত্মত্যাগৰ বিষয়ে অৱগত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে অসমৰ মুখ্যমন্ত্ৰীৰ সুদূৰপ্ৰসাৰী পদক্ষেপ আৰু শৰাইঘাট জাৰ্ণেলিষ্ট ফ'ৰামৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলতেই আলাবৈ ৰণ স্মৃতি দিৱসৰ উদ্‌যাপনে অধিক ব্যাপকতা লাভ কৰিছে। আদৰণি ভাষণ প্ৰদান কৰি প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড° নৱজিত দেউৰীয়ে আলাবৈ ৰণ অসমৰ ইতিহাসৰ এক গৌৰৱোজ্জ্বল অধ্যায় বুলি উল্লেখ কৰে। কামৰূপ জিলাৰ জিলা আয়ুক্ত দেব কুমাৰ মিশ্ৰই তেওঁৰ বক্তব্যত কয় যে আলাবৈ ৰণত আত্মবলিদান দিয়া বীৰসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে আলাবৈ ৰণ অসমৰ ইতিহাসৰ এক গৌৰৱোজ্জ্বল অধ্যায়। তেওঁ কয় যে আহোম সৈনিকসকলৰ সাহস, দেশপ্ৰেম আৰু আত্মত্যাগৰ আদৰ্শ নৱপ্ৰজন্মৰ বাবে সদায় অনুকৰণীয়। এই ইতিহাস সংৰক্ষণ আৰু অধিক প্ৰচাৰ কৰাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। শৰাইঘাট জাৰ্ণেলিষ্ট ফ'ৰামৰ সম্পাদক মধুসূদন মেধিয়ে আলাবৈ ৰণ স্মৃতি ক্ষেত্ৰ প্ৰতিষ্ঠা আৰু ইয়াৰ উন্নয়নৰ বাবে ফ'ৰামে দীৰ্ঘদিন ধৰি চলাই অহা নিৰন্তৰ প্ৰচেষ্টাৰ বিষয়ে আলোকপাত কৰে। মুখ্য বক্তা ড° নিত্যানন্দ কলিতাই ১২০৬ খ্ৰীষ্টাব্দৰ পৰা ১৬৮১ খ্ৰীষ্টাব্দলৈকে অসমে বহিঃশক্তিৰ বিৰুদ্ধে আগবঢ়োৱা দীঘলীয়া সংগ্ৰামৰ ইতিহাসৰ সৈতে আলাবৈ ৰণৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ অবিভক্ত কামৰূপৰ ভূমিকা, আহোম সৈনিকসকলৰ অতুলনীয় বীৰত্ব আৰু অসমৰ ইতিহাসত এই যুদ্ধৰ চিৰস্থায়ী গুৰুত্বৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। অনুষ্ঠানত কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুভাষীষ বৰুৱা, অসম চৰকাৰৰ জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ অতিৰিক্ত সচিব হিমাশ্ৰী হাজৰিকা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুসন্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত বিক্ৰম ছেত্ৰী, গীতাশ্ৰী লাচিত আৰু বিশ্বজিৎ শইকীয়াৰ লগতে প্ৰত্নতত্ত্ব সঞ্চালকালয়, জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ, জিলা প্ৰশাসনৰ বিষয়াবৰ্গ, শৰাইঘাট জাৰ্ণেলিষ্ট ফ'ৰামৰ সদস্যসকল, বিশিষ্ট ব্যক্তি আৰু বহু সংখ্যক নাগৰিকে অংশগ্ৰহণ কৰে।

# প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাত শগুণৰ অৱদান আছে

■ অনামিকা (সংগীতা) কলিতা
শুৱালকুছি



এতিয়া বাৰিষাৰ বতৰ, গতিকে বাট-পথত খোজ কাঢ়ি যাওঁতে ভালদৰে চাবা। আজি আকৌ নতুন বিষয় লৈ আহিছো। শগুণৰ ইংৰাজী নাম Vulture। এই পক্ষীটোক বহুতে ভাল চকুৰে নাচায় কিন্তু প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৃথিৱীত মৃত্যু হোৱা জীৱ-জন্তুবোৰ এই পক্ষীবিধে আহাৰ হিচাপে গ্ৰহণ কৰে। প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰিছে। নহ'লে এই মৃত জীৱ-জন্তুবোৰ গেলি পচি প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হৈ নানা বেক্টেৰিয়া তথা মাৰাত্মক ৰোগ বিয়পি পৰিলহেঁতেন। এই মাংসভোজী চৰাইবিধক প্ৰকৃতিৰ ঝাড়ুদাৰ বা ক্লীনাৰ বুলি গণ্য কৰা হয়। বৰ্তমান ইয়াৰ সংখ্যা কমি আহিছে। বিষাক্ত ঔষধ ডাইক্লোফেনাক গৰু-ম'হৰ চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা হয়, যাৰ ফলত শগুণৰ ক্ষতি সাধন হয়। গছ-গছনি আৰু অৰণ্যৰ ঠাইত বাসস্থান বনোৱাৰ বাবে চৰাইবিধৰ বসতিৰ স্থান নোহোৱা হৈছে, যাৰ ফলত চৰাইবিধ বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছে। আমাৰ সকলোৰে দায়িত্ব ইয়াক সংৰক্ষণ কৰা।

**ম'বাইল ঃ ৭০০২৯-৪২৫৯১**

# কিয়নো আহিলি তই মৰণৰে বান

**উৰিশ্মা নাথ**
গৰুখুটি, দৰং

কিয়নো আহিলি তই মৰণৰে বান?
পলকতে কাঢ়ি নিলি বহু জীৱনৰ প্ৰাণ।
হাঁহিৰ ঘৰখন কৰিলি নিঃসংগ শ্মশান,
আজি তাত মাথোঁ নীৰৱতাই গায় বিৰহৰ গান।
কঢ়িয়াই নিলি কেৱল জীৱনেই নহয়,
নিলি অসংখ্য সপোন, সংসাৰৰ সমল।
কিতাপ-পত্ৰ, কাপোৰ-কানি
সকলো হেৰাই গ'ল তোৰ নিষ্ঠুৰ সোঁতত।
সৰু হাতৰ সেই পঢ়াৰ সপোনবোৰ,
অপূৰ্ণ হৈ ৰ'ল পানীৰ বুকুত।
নিঃশেষ কৰিলি এখন সেউজীয়া সপোনৰ স্থান,
য'ত আছিল মৰমৰ উমাল আশ্ৰয়।
তাতেই আজি কেৱল শূন্যতাৰ মৰুভূমি,
চকুৰ পোহৰবোৰো হ'ল আজি ম্লান।
মানুহৰ লগতে হেৰাই গ'ল সিহঁতৰ সঙ্গী,
যিবোৰ আছিল জীৱনৰ নীৰৱ প্ৰাণ।
আইৰ চকুত আজিও অশ্ৰুৰ ঢৌ,
দেউতাৰ বুকুত নোকোৱা দুখৰ পাহাৰ।
ভাই-ভনীৰ মাতবোৰ হৈ পৰিল আধৰুৱা,
সময়েও যেন নাপালে সান্ত্বনাৰ অৱকাশ।
ঘৰৰ চোতালত বিচাৰি ফুৰে সিহঁতক,
য'ত এদিন মৰমেৰে দিছিল সঁহাৰি।
সৰু সৰু খোজৰ শব্দবোৰ আৰু নাই,
নাই সেই মৰমভৰা এষাৰি মাত;
আজিও দুৱাৰৰ কাষত অপেক্ষা কৰে মন,
হয়তো আহিব পুনৰ সেই চিনাকি মাত।
আজি গোহালিৰ কোণটো চুপচাপ,
চোতালত নাই আগৰ সেই উল্লাস।
পথাৰৰ বতাহেও যেন সুধি ফুৰিছে,
ক'ত গ'ল সেই মৰমৰ নিঃস্বাৰ্থ সুবাস?
গছৰ পাতে পাতে বিষাদৰ সুৰ,
চৰাইৰ গীততো যেন শোকৰ ছাঁ।
প্ৰকৃতিয়েও আজি কান্দে নীৰৱে,
হেৰুৱা জীৱনৰ স্মৃতিত থমকি ৰয় বতাহ।
কিয় ইমান নিষ্ঠুৰ হ'ল নিয়তি?
এৰি গ'ল ইমান অশ্ৰু আৰু বেদনা;
তথাপিও সিহঁত জীয়াই থাকিব
আমাৰ স্মৃতিৰ প্ৰতিটো ভাঁজত।
মাটিৰ বুকুত মিলি যাব দেহ,
কিন্তু হেৰাই নাযায় আত্মাৰ টান।
কিয়নো আহিলি তই মৰণৰে বান?
এই প্ৰশ্ন ৰৈ যাব যুগে যুগে মনত।
মানুহ হওক বা নিৰ্বাক জীৱ,
সঁচা মৰম কেতিয়াও হেৰাই নাযায় পৃথিৱীত।



# প্ৰতীক্ষাৰ উপকথা

**নাচিমা য়াচমিন,**
বিশ্বনাথ চাৰিআলি

পৃথিৱীৰ কোলাহলৰ মাজতো
কিছুমান হৃদয় থাকে যি
নিঃশব্দ
তেওঁলোকৰ কোনো অভিযোগ নাথাকে,
নাথাকে কোনো উচ্চাৰিত অভিমান।
তেওঁলোকে কেৱল অপেক্ষা কৰে-
এটি ক্ষণৰ, এটি হাঁহিৰ, এটি উষ্ণ সম্বোধনৰ।
সময়ৰ সোঁত বয়, ঋতুবোৰ সলনি হয়,
ঠিক তেনেদৰে মানুহো সলনি হয়,
কিন্তু তেওঁলোকৰ অন্তৰত এটি নাম
নীৰৱে জীয়াই থাকে।
বহুতে তেওঁলোকক দুৰ্বল ভাবে,
কিন্তু তেওঁলোকে জানে-
ভালপোৱা কেতিয়াও দুৰ্বলতা নহয়,
ই এক গভীৰ সাহস,
য'ত বিনিময়ৰ আশা নাথাকে।

# সম্পৰ্ক

**বনজিত দাস**
ৰিহাবাৰী, বজালী

ধুমুহাৰ বলত সৰাপাতে চকুলো টুকে
সৰি পৰা ভয়ত গছে জানো
পোখা নেমেলাকৈ থাকে
প্ৰেম এনেকুৱাই
গতিবেইৈ প্ৰবল প্ৰাচীৰ গঢ়ে
ইটোৱে আনটোৰ গভীৰ সম্পৰ্ক পাতে
এজাক বৰষুণৰ বাবে বৈ থাকে
তাৰ সৈতে ধুমুহাতো আহে
উদুলি-মুদুলি কৰি পছোৱাই আনে
সহিব নোৱাৰা কষ্ট
মুচুৰি নিয়ে কাৰোবাৰ কলিজা
তথাপি দেখোন ভাল লাগে।
এজাক বৰষুণৰ অপেক্ষা
আহিবও পাৰে বৰদৈচিলাৰ তাণ্ডৱ
তাতো দেখোন প্ৰেম নামে
ৰিঙিয়াই মাতে ৰঙালীৰ বাঁহীৰ সুৰ
প্ৰেমবোৰ তেনেকুৱাই
এটাৰ লগত আনটোৰ পৰিচয় ঘটে
বৰষুণৰ মৰমে কাৰোবাক আমনি কৰে
মৰমত উজান উঠে
বিধংসী বানপানীৰ কবলত জীয়াতু ভুগে
কাকনো নেৰাকৈ থাকে?
থন ধৰি গছে-বনে পিন্ধাই প্ৰেমৰ ছবি
এনাজৰী
এয়াতু সেউজ হোৱাৰ সপোন
প্ৰেম এনেকুৱাই
নিজকে কন্দুৱাই আনক হহুঁৱাই।

# নিষ্ঠুৰ পংগুত্ব জীৱন

**কবিঞ্চ প্ৰাণজিৎ দাস**
অঞ্চলী

এই 'নিষ্ঠুৰ জীৱন' লৈ,
থাকিম কিমান মই বৈ।
হৃদয়ৰ দুঃখবোৰ বৈ গৈ,
হৈছে এখনি খৰস্ৰোতা নৈ।
মায়াৰ সাগৰত এই জীৱন লৈ,
যৌৱন যুজঁত মই হাঢ়িলোঁ গৈ।
সৌন্দয্য গোলাপ লেৰেলি হ'ল,
সপোনেৰে সজোৱা হেঁপাহৰ
মনৰ ঘৰ দুৱাৰ ভাঙি চিঙি গ'ল।
গাঠিছিলোঁ হৃদয়ত মই,
সুগন্ধি বকুল ফুলৰ মালাৰে
এখনি নীলিমাৰ আকাশ।
আশাৰ এই মালাধাৰ,
এটি এটি কৈ সৰি পৰিল
মুকুতা যেন জীৱনৰ ক্ষণ।
লাহে লাহে প্ৰেম ভৰা নীলিমাৰ আকাশত,
অমানিশা কলীয়া ডাৱৰে ঢাকিল।
মোৰ হৃদয়ৰ বহীখনত,
সাঁচতীয়া প্ৰেমৰ ৰঙীন কবিতাবোৰৰ
হঠাৎ অজানিতে আঠ হেৰাই গ'ল।
থাকিল মাথোন এই অভিশপ্ত দেহত,
বিষাদ সিক্ত কালবাদলৰ বৃষ্টি।
যৌৱন প্ৰভাতী সময়ত,
এই অসহনীয় জীৱন
আজি মোৰ কিয়?
নিষ্ঠুৰ পৰিণাম।
নোৱাৰো সহিব আৰু যে মই,
এই ঘৃণিত নিষ্ঠুৰ পংগুত্ব জীৱন।
**ম'বাইল ঃ ৯৩৬৫৭-২৮১৫৫**

# প্ৰত্যাশা

**হেৰম্ব নাথ**

সপোনৰ ডেউকাত উঠি
প্ৰেমৰ পাহাৰ বগাই যাওঁ
তোমাক বিচাৰি
পাম চাগে তোমাক
বুকুৰ নিলগত
প্ৰাণঢালি দিম
হিয়াৰ মৰমবোৰ
যেতিয়া তুমি চকুত চকু থ'বা
অ' মোৰ প্ৰিয়তমা।
**ম'বাইল ঃ ৭০০২৭-৯৭৫৪০**



# মই সলনি হ'ব পৰা নাই কিয়

**বিতোপন গগৈ,** শিমলুগুৰি

নব্য ইতিহাসত উষ্ণতাৰ জ্বৰ এতিয়া।
মায়াময় সংসাৰত কাৰোবাৰ আখ্যান শুনি
এটা শব্দৰ অৰ্থ বেলেগ হ'ব পাৰে...
শুনিলেই সলনি হ'বপৰা অনুভূতি।
জ্বলি থাকে ভিতৰি ভিতৰি
বাঁহেৰে নিৰ্মিত সজাৰ ভিতৰত
টিমিক টামাক জুই (চাকি নহয়)
কিদৰে শান্ত হয় সীমাঠেলা মানুহ?
চকু কেৱল খুলশালিৰ কষ্টোপাৰ্জিত দৰমহাত।
প্ৰেমৰ পোন্ধৰখন চিঠিৰ জোলোঙাত
বেদনাকাতৰ যৌৱনৰ ধূম্ৰায়িত ছবি,
ঈৰ্ষা, ঘৃণা, আৱেগ পৰিহাৰি
এটা নতুন সুৰ শুনিব বিচাৰোঁ
য'ত দুৰ্বিষহ যন্ত্ৰণা আৰু বিদ্ৰূপৰ
অন্ধ লুলোপ হাঁহি নাথাকে
নীৰৱে উটি যাব দিহিৰিৰ ডিঙা।

হয়, এদিন তাচ্ছিল্যত কৈছিলা
তোমাৰ উৎকোচৰ স্থূলীৰ অগৌৰৱ গাঁথা
মই কিমান দামৰ মদত চঞ্চল
(অসুখৰ কথা নকও)
কি গাড়ী চলাওঁ, কেইটা সন্তান ইত্যাদি।
এতিয়া বাৰু কিয় স্তব্ধ জোনাকৰ গান
সহস্ৰ উপগ্ৰহৰ জীপাল জীৱনতো
নেপালে দুৰন্ত এষাৰি মৰমৰ মাত
কোটি কোটি জনতাৰ স্নেহ বন্ধনতো
সুলকি পৰিল সাগৰত কঁকালৰ গাঁঠি....
চোৱা, এইয়া আমাৰ ম্যাদি মাটি।

কোনে কোনে ভাওনা চাবলৈ লাখুটি লৈ আহে
জানোচা, প্ৰাক্তন প্ৰেয়সীক দেখাপায়....
দালাল বহুবিধৰ পোৱা যায় ইয়াত শব্দৰ
ছাগলী বেপাৰৰ, ধনৰ, কূট কৌশলৰ, কলমৰ
ঘাপত পৰিচয় কৰাই দিম
মূৰ্চা যাব এদিন নিজৰ ল'ৰা-ছোৱালীৰ শাপত।

এন্ধাৰ নিশাৰ উচুপনিত তোমাৰ ভৌতিক আগমণ
ধৰ্ম চিনি নোপোৱা তোমাৰ যৌনতাৰ ভূগোলত
কিদৰে সলনি হ'ম মই পানীৰ দৰে
কেমেষ্ট্ৰীৰ উৎপীড়নত যিদৰে
পাহৰি যাওঁ বুৰঞ্জী।
মন্ত্ৰী হৈ শিক্ষকক ধমক দিব নোৱাৰিলো
শাওনৰ বাৰিষাৰ পথাৰত
নাঙল ধৰিব নেজানিলো
নোৱাৰিলোঁ ভালদৰে ফুলনি পাতিব
কবিতা লিখা হৃদয়ৰ কাগজ
নেপালোঁ বিচাৰি
ক'ত কি দাম, পুৰস্কাৰ লোৱাৰ
একোৱেই নিশিকিলোঁ
কথা পাতিলেই স্বভাৱগত খং দেখি
বৰাধানৰ কঠিয়া নিৰ্সিচিলো
সেয়েহে মই সলনি হ'ব পৰা নাই
কঁঠালৰ গোন্ধ হেনো
ঢকুৱা বেৰে ঢাকিব নোৱাৰে....
হুক হুকাই কান্দি আছে
এটা অঘৰী চৰাই
ৰাতিৰ নিৰ্জনত কাক বিচাৰি।

প্ৰকৃতিও সলনি হোৱা নাই
সেউজীয়া হালধীয়াবোৰ
এতিয়াও তেনেদৰেই আছে
ঘাঁহবোৰত শেলাই পৰা নাই
ঐতিহ্যবোৰ এতায়াও বিশ্লেষিত
তগৰ শেৱালিৰ গোন্ধত
এতিয়াও তুমি মই মতলীয়া
যুদ্ধ চলি থাকক
ভূমিকম্প আহক
কিন্তু, মই সলনি হ'ব পৰা নাই।
**ম'বাইল ঃ ৯৩৬৫১-৬৮৮০৬**

# দিখৌ ছাঁত চকুপানী

**ৰুমী কলিতা দত্ত,** ডিব্ৰুগড়

(স্থায়ী)
দিগন্ত জুৰি শুন্যতাৰে ছাঁ,
বানে লৈ গ'ল হিয়াৰে হেঁপাহ।
ভঙা চালি ধৰি চাই আছোঁ বৈ
বকুতে এতিয়া তপ্ত উশাহ।
(অন্তৰা-১)
খৰস্ৰোতা বানে উটুৱাই নিলে
আমাৰে সপোনৰ সোণালী পথাৰ
তেনেই নিমিষতে শেষ কৰি দিলে
হাঁহিৰে ভৰা এই পঁজাটি আমাৰ।
পানীৰে প্লাৱিত ঘৰটোলৈ চাই
হুকহুকাই কান্দে ব্যাকুল আই
নিষ্ঠুৰ নিয়তিৰ প্ৰলয়ৰ খেলত
ঘৰৰ চিন-চাব একোকে যে নাই।
(অন্তৰা-২)
জ্বলিথকা বুকুৰ পোৱা ছাই ফালি
আকৌ জ্বলিব আশাৰ পোহৰ
পলসৰ মাটিত খোজ পেলাই আকৌ
সাজিম লাগিবই সপোনৰ ঘৰ।
চকুপানী মচি হাতত হাত থৈ
আগুৱাই যাম সংগ্ৰাম কৰি,
কালিৰ আন্ধাৰ নিশ্চয় আঁতৰিব
নতুন পুৱাটি বুকুতে ধৰি।
**ম'বাইল ঃ ৯৩৬৫৩-৭৫৩০৩**

# দেহ-মনৰ হিচাপ

**ভটিমা ৰাজবংশী,** নলবাৰী

ফটা মুখে লাগাম নাৰাখি
আঁক-বাঁক কৈ ফুৰে,
লুভীয়া জিভাই লোভত পৰি
পেটটো নষ্ট কৰে।
দুই চক্ষুই সীমা নাৰাখি
অজানিতে পাপ কৰে,
দুয়ো পাৰি দাঁতে ইটো-সিটো কামুৰি
নিজৰেই ক্ষয়-ক্ষতি কৰে।
দুই নাকে ঢাকনি নাৰাখি
ঘিণ কৰি ফুৰে,
দুই কৰ্ণই সজাগ থাকি
সম্বন্ধ নষ্ট কৰে।
দুই হাতে বলৱান বুলি
কঁকাল বেঁকা কৰে,
দুই ভৰিহে খোজ কাঢ়ি
দেহক তীৰ্থ কৰে।
চঞ্চল মনে উৰি ফুৰি
সময় ব্যয় কৰে,
যৌৱন কালে বিচাৰ নকৰি
নিয়ম উলংঘন কৰে।
কোমল হৃদয়ে প্ৰেমত পৰি
বুদ্ধি নষ্ট কৰে,
ৰূপ-লাৱণ্যই অহংকাৰ কৰি
আনক হেয়জ্ঞান কৰে।
এই দেহৰ গৰ্ব কৰি
ফুল ফুটি মৰে,
গুণী জ্ঞানীও জানি-বুজি
নিজ ধৰ্ম নেৰে।

# আজি আকাশে কান্দে

*প্ৰাণৰ শিল্পী জুবিন গাৰ্গক সুঁৱৰি*

**নলিন নাথ,** গড়মৌ

আজি আকাশে কান্দে উচুপি হিয়াৰ মণি হেৰাই
গানৰ সাগৰ হেৰাই।
শুকুলা বতৰ পূৰ্ণিমাৰ জোনটি বিষাদতে লুকাই।
জীয়াই থাকোতে যন্ত্ৰ হৈ কৰিলা মানুহৰ কাম,
মৃত্যুৰ পাছতো উপহাৰ দিলা তুমিয়েই মানৱতাৰ ধাম,
জ্বলন্ত শিখা হৈ পোহৰ বিলাই বিলাই কৰিলা অসম আলোকময়।
নাই মোৰ গাবলৈ নাই সুৰ একো পাবলে নৈৰ পাৰত
আছোঁ নিৰলে আহিবা কেতিয়া নৱ-নতুন সুৰ হৈ।
তোমাকেই সুঁৱৰি উদ্‌গীৰণ হ'ব আমাৰ
শতকোটি বেদনাৰ জ্বালামুখী ভেদাভেদবোৰ সামৰি।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## উজনিৰ বান ক্ষতিগ্ৰস্ত ৬২ হাজাৰ পৰিয়ালক ১৫ হাজাৰকৈ

ৰাইজক সহায়ৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বিগত দিনকেইটাত চাৰিওখন জিলাৰ ৰাইজে যিধৰণে বানৰ সৈতে মোকাবিলা কৰিছে সেয়া সকলোৰে বাবে প্ৰেৰণা আৰু সাহসৰ প্ৰতীক বুলি মন্তব্য কৰি তেওঁ ইয়াৰ বাবে বন্যাক্ৰান্ত ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে নিকট আত্মীয়জনক হেৰুৱাৰ পিছতো ৰাইজে পৰস্পৰক কৰা সহায় আৰু স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে চলোৱা প্ৰচেষ্টাৰ শলায় লয়।

## কাশীত মাধৱ কন্দলি ৰামায়ণ কাৰ্যসূচীৰ সফলতাৰ কাহিনী

সুদৃঢ় কৰি তুলিলে। ভাৰতীয় কবি মাধৱ কন্দলি ৰামায়ণৰ ৰাষ্ট্ৰীয় অভিযান কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় প্ৰচাৰক তথা সংগঠক গুৱাহাটীৰ খাৰঘুলিৰ ৰাজীৱ হৰি কৌশিকৰ সামগ্ৰিক পৰিকল্পনা আৰু গৱেষণাৰ আধাৰত ৰূপায়িত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰ্যসূচী। মাধৱ কন্দলিকৃত ৰামায়ণৰ যোগেদি ৰামায়ণী সাহিত্য, ঐতিহাসিক, সাংস্কৃতিক অৱদানসমূহক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত পৰিচয় কৰাই দিয়াৰ লগতে অসম আৰু ভাৰতৰ বাকী ৰাজ্যসমূহৰ প্ৰান্তীয় ভাষাৰ ৰামায়ণৰ মাজত সাংস্কৃতিক শৈক্ষিক ভাতৃত্ববোধ জগাই তোলাৰ প্ৰতি দৃষ্টি নিবদ্ধ কৰিছে। তথ্যচিত্ৰ নিৰ্মাতা ৰাজীৱ হৰি কৌশিকে ঐক্য সংহতিৰ প্ৰচেষ্টাৰ জৰিয়তে তেওঁ এই ধাৰণাক ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত শৈক্ষিক আৰু সাংস্কৃতিক মঞ্চলৈ ৰূপান্তৰিত কৰিলে। অসমৰ ৰামায়ণী সাহিত্যক ভাৰতীয় সকলৰ মাজত আদৰণীয় কৰি তোলাৰ অৰ্থে দ্বিতীয় ৰাষ্ট্ৰীয় অযোধ্যানন্দন জন্মোৎসৱ-২০২৬ৰ ৩ সংখ্যক ৰাষ্ট্ৰীয় আলোচনা সভা 'সীতা সেন্দূৰ' শীৰ্ষক বক্তৃতানুষ্ঠানত কৰিবলৈ অসমৰ চাৰিগৰাকী বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ জনোৱা হয়। আমন্ত্ৰিত বক্তাসকলৰ ভিতৰত আছিল গুৱাহাটীৰ অসম দক্ষতা বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক অধ্যাপক ড° ভৱৰঞ্জন শৰ্মা; গুৱাহাটীৰ গীতনগৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক শ্ৰী গুপ্তজিৎ পাঠক; ধেমাজি জিলাৰ চিলাপথাৰৰ গণেশ প্ৰসাদ উপাধ্যায়; আৰু শিলচৰৰ বিশিষ্ট ৰামায়ণ গৱেষক আৰু অনুবাদক ড° দেৱযানী ভট্টাচাৰ্য। তেওঁলোকৰ অংশগ্ৰহণে ৰাষ্ট্ৰীয় বক্তৃতাত অসমীয়া ৰামায়ণ অধ্যয়নৰ ক্ৰমবৰ্ধমান শৈক্ষিক গুৰুত্ব প্ৰতিফলিত কৰিছিল।

উক্ত অনুষ্ঠানত দ্বিতীয়খন গ্ৰন্থৰ শুভ উন্মোচন বিশিষ্ট অতিথিৰ সকলোৰ দ্বাৰা সম্পন্ন কৰা হয়। গ্ৰন্থখনৰ লেখক গুপ্তজিৎ পাঠক আৰু গ্ৰন্থখনৰ শিৰোনামা হৈছে 'Reimagining the Manifestations of Bharatiya Knowledge SystemsÊ. Holistic History, Culture and Identity'। গ্ৰন্থখন নতুন দিল্লীৰ ইন্দু বুক ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেড-এ প্ৰকাশ কৰিছে। এই উপলক্ষে গুপ্তজিৎ পাঠকে 'Srimanta Sankaradeva's Ramayanic Literature and the Ramayana Traditions of India and Southeast Asia. A Comparative Historical Study' শীৰ্ষক বিষয়ত এক গৱেষণামূলক বক্তৃতা আগবঢ়ায়, য'ত শ্ৰীমন্ত শংকৰদেৱৰ ৰামায়ণ-ভিত্তিক সাহিত্য আৰু ভাৰত তথা দক্ষিণ-পূব এছিয়াৰ ৰামায়ণ পৰম্পৰাৰ তুলনামূলক ঐতিহাসিক বিশ্লেষণ উপস্থাপন কৰা হয়।

অসমৰ আৰু বাৰাণসীকে ধৰি বিভিন্ন অঞ্চলৰ পণ্ডিত, গৱেষক, ৰামায়ণ প্ৰেমীকে আদি কৰি অধ্যয়নৰত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিশ্ববিদ্যালয়ৰ বিদ্যাৰ্থীসকলে অংশগ্ৰহণ কৰে। এনেধৰণৰ অনুষ্ঠানে ভাৰতীয় সংস্কৃতি, ৰামায়ণ পৰম্পৰা আৰু বিভিন্ন ৰাজ্যৰ মাজত সাংস্কৃতিক সমন্বয় শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই বহল অংশগ্ৰহণে আলোচনা সভাখনক আন্তঃআঞ্চলিক বিদ্বান পাৰস্পৰিক ক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ মঞ্চলৈ ৰূপান্তৰিত কৰিলে। অনুষ্ঠানত উন্মোচিত ৰাজীৱ হৰি কৌশিকৰ সম্পাদিত স্মাৰক-গ্ৰন্থ 'আই সীতা গোসাঁনী' শীৰ্ষক গ্ৰন্থখনে পণ্ডিত আৰু অংশগ্ৰহণকাৰীসকলৰ ব্যাপক প্ৰশংসা লাভ কৰা। সাম্প্ৰতিক শৈক্ষিক আৰু সাংস্কৃতিক আলোচনাত অসমীয়া ৰামায়ণ সাহিত্যৰ অবিৰত প্ৰাসংগিকতাক প্ৰতিফলিত কৰি বিশিষ্ট অতিথিৰ উপস্থিতিত আনুষ্ঠানিকভাৱে প্ৰকাশনখন মুকলি কৰা হয়। আলোচনাত ভাৰতৰ বৈচিত্ৰময় ৰামায়ণ পৰম্পৰা ৰক্ষাৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে আঞ্চলিক সাহিত্য সংস্কৃতিৰ বিৱৰ্তনত মাধৱ কন্দলিৰ অনন্য অৱদানৰ ওপৰত আলোকপাত কৰা হয়। উত্তৰ প্ৰদেশ বাৰাণসীৰ বৰাগাঁওস্থিত শ্ৰীচতুৰ্ভূজী সেৱা সংস্থাপনৰ ৰাষ্ট্ৰীয় উপাধ্যক্ষ শ্ৰীমহন্ত অবধূত গিৰীজী মহাৰাজয়ে অনুষ্ঠানত মহাৰাজে মুখ্য অতিথি হিচাপে শোভা বঢ়ায। কাশী হিন্দু বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক তথা বিশ্ব সনাতন প্ৰতিষ্ঠানৰ ৰাষ্ট্ৰীয় প্ৰভাৰী ড° শংকৰ কুমাৰ মিশ্ৰৰ সভাপতিত্ব অনুষ্ঠিত হয়। কাশী হিন্দু বিশ্ববিদ্যালয়ৰ বৈদিক বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক অধ্যাপক ড° বিনয় কুমাৰ পাণ্ডে সন্মানীয় অতিথি ৰূপে আসন গ্ৰহণ কৰি তেওঁৰ বক্তৃতাত উল্লেখ কৰে যে, গোস্বামী তুলসী দাসৰ ৰামায়ণৰ দৰে চতুৰ্দশ শতিকাৰ মাধৱ কন্দলিকৃত ৰামায়ণৰ কথা সুদূৰ প্ৰচাৰিত হ'ব লাগে। অধ্যাপক ড° ভৱৰঞ্জন শৰ্মা; সভাত বিষয় পৰিমূলক বক্তা গণেশ প্ৰসাদ উপাধ্যায়; সভাত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা তথা পৰিৱেশ বিজ্ঞানৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বাবে অসমৰ চৰকাৰে আগবঢ়োৱা অসামৰিক সেৱা সন্মান 'অসম সৌৰভ বঁটা'ৰে ভূষিতা আৰু ২০২৪ চনত বিজ্ঞান যুৱ শান্তি স্বৰূপ ভাটনগৰ বঁটাপ্ৰাপক ড° পূৰৱী শইকীয়াই অনুষ্ঠানৰ সন্মানীয় অতিথি আসনৰ পৰা তেওঁ মাধৱ কন্দলিকৃত ৰামায়ণ সম্পৰ্কত চমু আলোকপাত কৰে। শ্ৰী গুপ্তজিৎ পাঠক আৰু ড° দেৱযানী ভট্টাচাৰ্যই অসমৰ ৰামায়ণ সাহিত্যৰ সাহিত্যিক, ঐতিহাসিক, দাৰ্শনিক, সাংস্কৃতিক মাত্ৰাৰ ওপৰত অন্তৰ্দৃষ্টিসম্পন্ন বক্তৃতা প্ৰদান কৰে। তেওঁলোকৰ উপস্থাপনসমূহে আঞ্চলিক ৰামায়ণ পৰম্পৰাই ভাৰতীয় সভ্যতাৰ বহল বুজাবুজিত কেনেদৰে অৰিহণা যোগায়, সেই কথা প্ৰদৰ্শন কৰিছিল। গুৱাহাটীৰ লুইত-জিষ্ট কমিউনিকেচন এডুকেচনেল ট্ৰাষ্ট আৰু বাৰণসীৰ বিশ্ব সনাতন সংস্থা উদ্যোগত যৌথভাৱে আয়োজন কৰা এই বৰ্ণিল কাৰ্যসূচী ৰূপায়িত হয়। বিশ্ব সনাতন প্ৰতিষ্ঠানৰ ৰাষ্ট্ৰীয় অধ্যক্ষ ড° সন্তোষ আচাৰ্যই আলোচনা সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায়। লুইত-জিষ্ট কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টৰ পৰিচালন ন্যাসৰক্ষী তথা দ্বিতীয় ৰাষ্ট্ৰীয় অযোধ্যানন্দন জন্মোৎসৱ ২০২৬ ৰ কাশী সন্মিলনৰ আয়োজক সমিতিৰ সাধাৰণ সম্পাদক ৰাজীৱ হৰি কৌশিকৰ নেতৃত্বৰ অনুষ্ঠানৰ সমন্বয় সাধন কৰাৰ ক্ষেত্ৰত আয়োজক সমিতিৰ মুখ্য সহকাৰী সম্পাদক দীপাংকৰ বড়াই অনুষ্ঠানৰ অভ্যৰ্থনা দিশটি তদাৰক কৰে। অনুষ্ঠানৰ কাৰ্যবিৱৰণীত আঁত ধৰে কাশী হিন্দু বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী সমীক্ষা মিশ্ৰই। মাধৱ কন্দলিকৃত ৰামায়ণ বিষয়ক সভাৰ সফলতাৰ আলোচনাই বহিঃ ৰাজ্যত বিস্তৃত হৈ পৰিল। ইতিমধ্যে ৰাষ্ট্ৰীয় প্ৰচাৰক দৈনিক হিন্দী কাকততো ব্যাপক সংবাদ মাধ্যমত প্ৰচাৰ লাভ কৰিছে। প্ৰকাশিত বাতৰি কাকতসমূহত দক্ষিণ-পূব এছিয়া মাধৱ কন্দলি ৰামায়ণ মিলন সভাৰ ভৱিষ্যৎ আয়োজন, 'আই সীতা গোসাঁনী' উন্মোচন আৰু ৰামায়ণ পৰম্পৰাৰ ওপৰত বিদ্বান আলোচনাৰ বক্তব্য আলোকপাত হয়। এনেধৰণৰ সংবাদ মাধ্যমৰ স্বীকৃতিয়ে ভাৰতীয় সাহিত্য বুৰঞ্জীলৈ অসমৰ অৱদানৰ প্ৰতি জনসচেতনতা যথেষ্ট বৃদ্ধি কৰিলে। ভাৰতীয় কবি মাধৱ কন্দলিৰ উত্তৰাধিকাৰ যে এতিয়া অসমতে আৱদ্ধ হৈ থকা নাই বৰঞ্চ ক্ৰমান্বয়ে ভাৰতৰ জাতীয় সাংস্কৃতিক কথোপকথনৰ অংশ হৈ পৰিছে, সেই কথা অনুষ্ঠানটোৱে প্ৰমাণ কৰিলে। বিভিন্ন অঞ্চলৰ পণ্ডিত, সন্ত, গৱেষক, ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰি এই পদক্ষেপে শৈক্ষিক সহযোগিতাক শক্তিশালী কৰিছিল, সাংস্কৃতিক বিনিময়ক প্ৰসাৰিত কৰিছিল আৰু ৰামায়ণৰ এক ঐক্যবদ্ধ সভ্যতামূলক গ্ৰন্থ হিচাপে চিৰস্থায়ী প্ৰাসংগিকতাক পুনৰ দৃঢ় কৰিছিল। এই পদক্ষেপৰ উল্লেখযোগ্য সফলতা ৰাজীৱ হৰি কৌশিকৰ দৃষ্টিভংগী, নিষ্ঠা, আৰু সাংগঠনিক নেতৃত্বৰ প্ৰমাণ কৰিছে। মাধৱ কন্দলি ৰামায়ণৰ ৰাষ্ট্ৰীয় অভিযানৰ ৰাষ্ট্ৰীয় প্ৰচাৰক তথা সংগঠক হিচাপে কৌশিকৰ স্থায়ী প্ৰচেষ্টাই অসমৰ ৰাম-সাংস্কৃতিৰ আন্দোলনক গৱেষণা, আলোচনা, আৰু সাংস্কৃতিক সংহতিৰ এক গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় মঞ্চলৈ ৰূপান্তৰিত কৰিছে। কাশী কাৰ্যসূচীয়ে মাধৱ কন্দলিৰ ৰামায়ণ সাহিত্যিক প্ৰতিভাক উদ্‌যাপন কৰাই নহয়, ৰামায়ণৰ ভাগ-বতৰা ঐতিহ্যৰ জৰিয়তে ভাৰতৰ বৈচিত্ৰ্যত ঐক্যৰ কালজয়ী বাৰ্তাক শক্তিশালী কৰি তুলিছিল। ই ভৱিষ্যতৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বাবে এক শক্তিশালী ভেটি স্থাপন কৰিছে যিয়ে অসমৰ ৰামায়ণ পৰম্পৰাৰ অমূল্য উত্তৰাধিকাৰক সংৰক্ষণ, প্ৰসাৰ আৰু প্ৰচাৰ কৰি যাব।

## নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন স্বাস্থ্যমন্ত্ৰী

হাস্পতালখনে পূৰ্ণাংগ ৰূপ পাব।' এই মন্তব্য স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ। স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰাৰ লগতে স্বাস্থ্য বিভাগৰ উৰ্দ্ধতন বিষয়ববীয়াসহ মন্ত্ৰী-বিধায়কৰে এক পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সংবাদমাধ্যমৰ আগত স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে কয় যে নলবাৰী মেডিকেল কলেজখন নতুন হিচাপে সুন্দৰভাৱে অগ্ৰসৰ হ'ব পাৰিছে। আনহাতে যিখিনি অসুবিধা আছে সেই অসুবিধাখিনি দূৰ কৰা হ'ব। অহা বছৰ নলবাৰী মেডিকেল কলেজৰ পৰা এমবিবিএচ পাছ কৰি ওলাব। আৰু পিজি পাঠ্যক্ৰম আৰম্ভ হ'লেই হাস্পতালৰ ডাক্তৰৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি হয়। এই পিজি ষ্টুডেণ্টসকলে অধ্যয়নৰ লগতে অধ্যয়নৰ অংশ হিচাপে হাস্পতালত চিকিৎসা সেৱা কৰিব লাগে বুলি মন্ত্ৰী গৰাকীয়ে ব্যক্ত কৰে। তদুপৰি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বানপীড়িত অঞ্চলত মুখ্যমন্ত্ৰীৰ নিৰ্দ্দেশমৰ্মে স্বাস্থ্য বিভাগে সকলো ব্যৱস্থা হাতত লৈছে। আনহাতে কাইলৈ নিজে গৈ দুই- তিনিদিন তাত থাকি সকলো ব্যৱস্থা কৰা হ'ব বুলি স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে সংবাদমাধ্যমক জানিবলৈ দিয়ে।

## বংশত 'অৰুণোদয় ৩.০' আঁচনিৰ শুভ উদ্বোধনী অনুষ্ঠানত কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী তথা শিশু উন্নয়ন মন্ত্ৰী অজন্তা নেওগ অংশগ্ৰহণ

কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নাৰী সবলীকৰণেৰে এখন সবল অসম গঢ় দিয়াৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। তেওঁ কয় যে অৰুণোদয় আঁচনি কেৱল অসমৰ বাবেই নহয়, নাৰীৰ আৰ্থ-সামাজিক সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ বাবেই এক মহৎ নিদৰ্শন। অৰুণোদয় আঁচনিয়ে অসমৰ মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ২০২৬-২৭ বৰ্ষৰ বাজেটৰ প্ৰথম পুঁজিৰে ৰাজ্যৰ আই-মাতৃসকললৈ অৰুণোদয় আঁচনিৰ ধন আগবঢ়োৱা হৈছে। তেওঁ কয় যে নাৰী অৰ্থনৈতিকভাৱে শক্তিশালী হ'লেহে সমাজ শক্তিশালী হ'ব। এই কথা অনুধাৱন কৰিয়েই চৰকাৰে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলৰ বাবে এইবাৰ অগ্ৰিম ধন লোৱাৰো ব্যৱস্থা কৰিছে। তেওঁ লগতে কয় যে পূৰ্বে বহু লোক মাইক্ৰ' ফাইনেন্সৰ ঋণৰ বোজাত দিশহাৰা হ'বলগীয়া হৈছিল। এনে পৰিস্থিতিৰ পুনৰাবৃত্তি ৰোধ কৰাৰ উদ্দেশ্যে চৰকাৰে অৰুণোদয় আঁচনিৰ জৰিয়তে ক্ষুদ্ৰ ঋণৰ সুবিধা প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰিছে, যাতে হিতাধিকাৰীসকল ঋণগ্ৰস্ত হ'বলগীয়া নহয়। মন্ত্ৰীগৰাকীয়ে শেহতীয়া বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট জিলাৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলক এইবাৰ বিশেষ সাহায্য হিচাপে ২,৫০০ টকাকৈ প্ৰদান কৰা হৈছে বুলিও উল্লেখ কৰে। কামৰূপ জিলাৰ ৮২ নং বংশৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত সদৌ বংশৰ সাৰ্বজনীন শাৰদীয় শ্ৰী শ্ৰী দুৰ্গা পূজা মণ্ডপ প্ৰাঙ্গণত অনুষ্ঠিত কামৰূপ জিলাস্তৰীয় অনুষ্ঠানত হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস উপস্থিত থাকি কয় যে সমাজৰ আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ আই-মাতৃসকলক অধিক আত্মনিৰ্ভৰশীল আৰু সৱল কৰি তোলাৰ লক্ষ্যৰে ৰূপায়িত এই আঁচনিৰ জৰিয়তে বিভিন্ন জিলাৰ হিতাধিকাৰীসকলে ১,১০০ টকাকৈ আৰ্থিক সহযোগিতা লাভ কৰিব। লগতে শেহতীয়া বানপৰিস্থিতিত ক্ষতিগ্ৰস্ত যোৰহাট, শিৱসাগৰ, চৰাইদেউ আৰু গোলাঘাট জিলাৰ আই-মাতৃসকলৰ বাবে বিশেষ সহায় হিচাপে ২,৫০০ টকাকৈ আৰ্থিক সহযোগিতা প্ৰদান কৰা হ'ব। 'অৰুণোদয় ৩.০' অসমৰ লাখ লাখ পৰিয়ালৰ জীৱনত আৰ্থিক স্থিৰতা, আত্মবিশ্বাস আৰু আশাৰ ৰেঙণি সঞ্চাৰ কৰা এক যুগান্তকাৰী পদক্ষেপ বুলি কয়। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ জনমুখী নেতৃত্বত এনে কল্যাণমূলক পদক্ষেপসমূহে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ন আৰু নাৰী সৱলীকৰণৰ ক্ষেত্ৰত অধিক সুদৃঢ় কৰি তুলিব বুলি দৃঢ়বিশ্বাস বুলি কয়। অনুষ্ঠানত কামৰূপ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰ, শুৱালকুছি জিলা পৰিষদৰ সদস্য তথা ভাৰতীয় জনতা পাৰ্টি শুৱালকুছি মণ্ডলৰ সভাপতি ধীৰাজ মহন্ত উপস্থিত থাকে।

## জামুগুৰিত গৰাখহনীয়াৰ পৰিস্থিতি পৰিদৰ্শন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ

ৰক্ষা কৰিব পৰা যায়। পৰিদৰ্শনৰ সময়ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ক্ষতিগ্ৰস্ত অংশসমূহ স্বচক্ষে পৰ্যালোচনা কৰি বিভাগীয় বিষয়াসকলক প্ৰয়োজন অনুসৰি জিঅ' বেগ, মাটি, বালি আদি ব্যৱহাৰ কৰি তাৎক্ষণিক সুৰক্ষা ব্যৱস্থা অব্যাহত ৰাখিবলৈ নিৰ্দেশ দিয়ে। লগতে, স্থায়ী সমাধানৰ বাবে ক্ষতিগ্ৰস্ত অংশ আৰু সংলগ্ন অঞ্চলসমূহৰ কাৰিকৰী সমীক্ষা সম্পন্ন কৰি শীঘ্ৰে প্ৰয়োজনীয় ব্যয়ৰ হিচাপ প্ৰস্তুত কৰাৰো নিৰ্দেশ প্ৰদান কৰে। সংবাদমাধ্যমক সম্বোধন কৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, 'যোৱা নিশা স্থানীয় ৰাইজ, জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগে দেখুওৱা সমন্বয়, সাহস আৰু তৎপৰতাৰ ফলতেই এক সম্ভাব্য বৃহৎ দুৰ্যোগৰ পৰা অঞ্চলটো ৰক্ষা পৰিছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰে এই অঞ্চলৰ স্থায়ী সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব। ৰাইজ কোনো ধৰণে উদ্বিগ্ন হোৱাৰ প্ৰয়োজন নাই; চৰকাৰ সদায় তেওঁলোকৰ কাষত আছে। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে, সোৱণশিৰি নদী ব্ৰহ্মপুত্ৰত সংযোগ হোৱা অঞ্চলৰ নিকটৱৰ্তী হোৱাৰ বাবে এই অংশত পানীৰ প্ৰৱল চাপ সৃষ্টি হয় আৰু সেইবাবেই অঞ্চলটো খহনীয়াৰ দিশৰ পৰা অত্যন্ত স্পৰ্শকাতৰ। সেয়েহে দীৰ্ঘম্যাদী সুৰক্ষাৰ লক্ষ্যৰে মথাউৰি অধিক শক্তিশালী কৰা, প্ৰয়োজনীয় জিঅ' বেগ স্থাপন আৰু আন আন আন্তঃগাঁথনি ব্যৱস্থাৰ সম্ভাৱনীয়তা জলসম্পদ বিভাগে পৰ্যালোচনা কৰি চৰকাৰক প্ৰতিবেদন দাখিল কৰিব। পৰিদৰ্শনকালত স্থানীয় ৰাইজক সম্বোধন কৰি থকা সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী বৰুৱাৰ ফোনযোগে উপস্থিত লোকসকলৰ সৈতে পোনপটীয়াকৈ বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰীয়ে স্থানীয় ৰাইজক চৰকাৰৰ পূৰ্ণ সহযোগিতা আৰু সকলোধৰণৰ প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস দিয়াৰ লগতে প্ৰয়োজন হ'লে অতি শীঘ্ৰেই অঞ্চলটো স্বচক্ষে পৰিদৰ্শন কৰিব বুলিও জনায়।

## মুখ্যমন্ত্ৰীৰ সাহায্যই বানাক্ৰান্ত ৰাইজলৈ

চেনিমৰা অঞ্চলৰ লৰাপোতা গাঁৱৰ বানপীড়িত পৰিয়ালসমূহৰ মাজত বিতৰণ কৰা হয়। দুৰ্যোগৰ সময়ত সহমৰ্মিতাৰে আগবঢ়োৱা এখন সহায়ৰ হাতেই এটি পৰিয়ালৰ বাবে নতুন আশাৰ পোহৰ হৈ উঠে। উল্লেখযোগ্য যে, এই সাহায্য বেগত পৰিয়ালসমূহৰ নিত্যপ্ৰয়োজনীয় সামগ্ৰী যেনে- চাউল ৭ কেজি, দাইল ২ কেজি, ফৰ্চুন মিঠাতেল ১ লিটাৰ বটল, নিমখ ১ পেকেট, মমৰ পেকেট, জুইশলা, ফেনাইল, বিস্কুট, মহখেদোৱা ধূপ, শিশু ডাইপাৰ আদি সন্নিবিষ্ট কৰা আছিল। যিয়ে দুৰ্যোগৰ এই কঠিন সময়ত বহু পৰিয়ালক সকাহ দিয়াৰ লগতে চৰকাৰৰ মানৱীয় দায়বদ্ধতাৰ এক উজ্বল নিদৰ্শন দাঙি ধৰিছে। প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত প্ৰতিজন নাগৰিকৰ কাযত দায়িত্বশীলভাৱে থিয় দি সহায়ৰ হাত আগবঢ়োৱাটো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জনকল্যাণমুখী শাসনদৰ্শনৰ এক উজ্বল প্ৰতিফলন।

# ৰাষ্ট্ৰীয় জুডোত তিনিটা সোন এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকৰে উজ্বলিল চতিয়া চেম্পিয়নছ মেকাৰ একাডেমীৰ খেলুৱৈসকল




**চন্দন শৰ্মা, তেজপুৰ ঃ** অসমৰ ক্ৰীড়া জগতৰ বাবে এক অত্যন্ত গৌৰৱৰ খবৰ। ছত্ৰীশগড়তৰ ৰাইপুৰত যোৱা ২৭ জুলাইৰ পৰা আৰম্ভ হৈ সফলতাৰে সমাপ্তি হোৱা CBSE Far East Zone Judo Championship-2026 ত চতিয়াৰ অগ্ৰণী ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ 'চেম্পিয়নছ মেকাৰ একাডেমী'ৰ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন দাঙি ধৰিছে। একাডেমীখনৰ পৰা অংশগ্ৰহণ কৰা ৭ জন উদীয়মান প্ৰতিভাশালী খেলুৱৈৰ ভিতৰত ৫ জনে পদক লাভ কৰি ৰাজ্যখনৰ লগতে চতিয়া অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। চেম্পিয়নছ মেকাৰ একাডেমীৰ সঞ্চালক হৃদয়ানন্দ দাসে জনোৱা মতে প্ৰতিযোগিতাখনত পদক লাভ কৰা খেলুৱৈসকল ক্ৰমে- গীতাৰ্থ কলিতা ঃ ১৪ বছৰ অনুৰ্ধৰ ৪৫ কেজি শাখাত স্বৰ্ণ পদক (জ্ঞান ভাৰতী পাব্লিক স্কুল), দেৱানীভ বৰমুদৈ ঃ ১৪ বছৰ অনুৰ্ধৰ ৫০ কেজি উৰ্ধৰ শাখাত স্বৰ্ণ পদক (জ্ঞান ভাৰতী পাব্লিক স্কুল), ভুমিস্থা দাস ঃ ১৭ বছৰ অনুৰ্ধৰ ৪৮ কেজি শাখাত স্বৰ্ণ পদক (আৱাৰ এবিচি একাডেমী), দেৱাৰ্পন মেধী ঃ ৰূপৰ পদক (আৱাৰ এবিচি একাডেমী), অংশুমান বৰা ঃ ব্ৰঞ্জৰ পদক (জ্ঞান ভাৰতী পাব্লিক স্কুল)। উদীয়মান খেলুৱৈসকলৰ এই অনন্য সফলতাত সমগ্ৰ চতিয়া অঞ্চলত আনন্দৰ লহৰ উঠিছে। 'বিশ্বনাথ জিলা জুডো সংস্থা'ৰ লগতে স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজে বিজয়ী খেলুৱৈসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ উজ্বল ভৱিষ্যত কামনা কৰিছে।

# ড্ৰাগ বিৰোধী, পথ সুৰক্ষা, বাল্যবিবাহ, শিশু শ্ৰম আদিৰ বিৰুদ্ধে জনসচেতনতা বৃদ্ধি অভিযান আৰম্ভ

**মুকুল গোস্বামী, লংকা ঃ** জনসাধাৰণৰ মাজত সামাজিক সমস্যা আৰু জনকল্যাণমূলক বিষয়সমূহৰ ওপৰত ব্যাপক সজাগতা সৃষ্টিৰ উদ্দেশ্যে হোজাই জিলা প্ৰশাসনৰ উদ্যোগত প্ৰস্তুত কৰা এক বিশেষ সজাগতা বাহনক জিলা আয়ুক্ত শ্ৰীসঞ্জয় দত্তই জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদৰ পৰা ফ্লেগঅফ কৰে। উক্ত সজাগতা বাহনৰ জৰিয়তে ড্ৰাগ বিৰোধী অভিযান, পথ সুৰক্ষা, বাল্যবিবাহ নিৰ্মূল, শিশু শ্ৰম প্ৰতিৰোধ, শিক্ষা গ্ৰহণৰ গুৰুত্ব আদি বিভিন্ন বিষয়ত জনসাধাৰণক সচেতন কৰাৰ ব্যৱস্থা কৰা হৈছে। বাহনখনত বিভিন্ন তথ্যসমৃদ্ধ পোষ্টাৰ, বাৰ্তা, দৃশ্য-শ্ৰব্য সামগ্ৰীৰ তথ্য সংযোজন কৰা হৈছে, যি জিলাখনৰ বিভিন্ন অঞ্চলত প্ৰদৰ্শন কৰা হ'ব। সজাগতা বাহনখনে গাঁও-চহৰৰ জনসাধাৰণৰ মাজলৈ বাৰ্তা লৈ গৈ এক সুস্থ, সুৰক্ষিত আৰু সচেতন সমাজ গঢ়ি তোলাত সহায়ক হ'ব। উল্লেখ্য যে, এই সজাগতা বাহনখনে জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বজাৰ, ৰাজহ চক্ৰ, গাঁও পঞ্চায়ত আৰু জনবহুল স্থানসমূহ পৰিভ্ৰমণ কৰি জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে এনে ব্যৱস্থা গ্ৰহণ কৰিছে।




# বন্যাৰ্তৰ কাষত দাক্ষিণাত্যৰ অভিনেত্ৰী তথা অসম জীয়ৰী ভৈৰৱী আৰাধ্যা



**ৰমেন ভৰালী, বংশৰ ঃ** উজনিৰ বানপীড়িতৰ মাজত দাক্ষিণাত্যৰ অভিনেত্ৰী তথা অসম সন্তান ভৈৰৱী আৰাধ্যা। সুদূৰ হায়দৰাবাদৰ পৰা আহি শিৱসাগৰৰ বানপীড়িতলৈ দিলে সাহায্য। কামৰূপ জিলাৰ শিঙিমাৰীৰ পাকোৰকোণাৰ পৰা কেইগৰাকী মান সহযোগীৰ সৈতে সাহায্য লৈ শিৱসাগৰৰ বৃহত্তৰ বেতবাৰী অঞ্চলৰ দগাও, দনিমাই, উধান পুখুৰী, বৰতানী, কোঁৱৰগাঁও আদি অঞ্চলৰ বানাক্ৰান্ত ৰাইজলৈ সহায়ৰ হাত আগবঢ়ালে দাক্ষিণাত্যৰ অভিনেত্ৰী তথা অসম সন্তান ভৈৰৱী আৰাধ্যাই। বানাক্ৰান্ত ৰাইজৰ লগত মত বিনিময় কৰাৰ লগতে কণ কণ শিশু সকলৰ বাবে খাদ্য সামগ্ৰীৰ লগতে আৰ্থিক সাহায্যও প্ৰদান কৰে।

# নদুৱাৰত জনগণৰ প্ৰেৰণা, আমাৰ সাহস সংস্থাৰ তৰফৰ পৰা বান সাহায্য প্ৰদানৰ প্ৰস্তুতি

জনগণৰ প্ৰেৰণা, আমাৰ সাহস
স্থাপিত - ২০২৬

**গুৱাহাটী ঃ** নদুৱাৰত 'মানুহে মানুহৰ বাবে' শ্ল'গানেৰে উজনি অসমৰ বানপীড়িত ৰাইজৰ দুৰ্দশাৰ বুজ ল'বলৈ আৰু তেওঁলোকৰ মাজত সহায়ৰ হাত আগবঢ়াবলৈ বৰ্তমান দিনে নিশাই ব্যস্ত হৈ পৰিছে ২০২৬ চনত জন্মলাভ হোৱা 'জনগণৰ প্ৰেৰণা, আমাৰ সাহস' নামৰ এটি বেচৰকাৰী সংস্থা। সংস্থাটোত নদুৱাৰৰ পাঁচজন হৃদয়বান ব্যক্তি ক্ৰমে ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ যুৱ সাংবাদিক-প্ৰকৃতিপ্ৰেমী-ফটোগ্ৰাফাৰ তথা অসম বুক অফ ৰেকৰ্ডছত নিজৰ নাম জিলিকাবলৈ সক্ষম হোৱা ৰঙাচকুৱাৰ নিবাসী চন্দন শৰ্মা হৈছে প্ৰচাৰ সম্পাদক, সভাপতি হিচাপে নাগশংকৰৰ পুতুল বৰা, বিত্তীয় সম্পাদিকা হিচাপে নাগশংকৰৰ লীমা ভূএগা, সংস্থাটোৰ সকলো তথ্য সংৰক্ষণৰ দ্বায়িত্বত থাকিব বিশ্বনাথ চাৰিআলিৰ যুৱ লেখক তাপ্তী দুতি বৰা আৰু নাগশংকৰৰ যুৱ সমাজকৰ্মী জিতু বৰা। ৰাজ্যখনৰ সাম্প্ৰতিক ভয়াৱহ বান পৰিস্থিতিত সৰ্বস্বান্ত হোৱা লোকসকলক প্ৰাথমিক সকাহ দিয়াৰ উদ্দেশ্যেৰে এই পাঁচজন ব্যক্তিয়ে গুৰুত্বপূৰ্ণ সিদ্ধান্তৰে 'জনগণৰ প্ৰেৰণা, আমাৰ সাহস' নামাকৰণেৰে ২০২৬ চনত এটি বেচৰকাৰী সংস্থাৰ জন্ম দিয়ে। উক্ত সংস্থাটোৰ মূল লক্ষ্য হ'ল যিকোনো বিপদৰ সময়ত ৰাইজৰ কাষত উপস্থিত হৈ কিছু সকাহ দিয়াৰ। পাঁচজনীয়া দলৰে গঠিত হোৱা সংস্থাটোৰ প্ৰথম প্ৰয়াস হিচাপে উজনি অসমৰ বানপীড়িত পৰিয়ালবৰ্গৰ কাষত উপস্থিত হৈ তেওঁলোকৰ অভাৱ-অভিযোগ আৰু সমস্যাসমূহৰ বুজ লৈ কিছু বান সাহায্য প্ৰদানৰে সকাহ দিয়াৰ। বৰ্তমান দিনে নিশাই সংস্থাটোৰ বিষয়ববীয়া সকলে অহা ইং ৯ আগষ্ট তাৰিখে জামুগুৰিহাট আৰু নাগশংকৰৰ পৰা শিৱসাগৰলৈ বুলি বান সাহায্য অভিযানৰ বাবে ৰাইজৰ পৰা আৰ্থিক সাহায্যৰ লগতে কিছু প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰে। দলটোৱে বানৰ কবলত পৰা কেইবাশও পৰিয়ালৰ মাজত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, বিশুদ্ধ খোৱাপানী, শিশুৰ খাদ্য আৰু প্ৰাথমিক চিকিৎসাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসহ বান সাহায্য বিতৰণ কৰাৰ লক্ষ্য হাতত লৈছে। তেওঁলোকে সংবাদ মাধ্যমক উদ্দেশ্যি কয় যে- 'অসমৰ এই সংকটপূৰ্ণ সময়ত বানাক্ৰান্ত ৰাইজৰ কাষত থিয় হোৱাটো আমাৰ সামাজিক দায়িত্ব। বানৰ পানীয়ে মানুহৰ ঘৰ-দুৱাৰ আৰু খেতি-বাতি নষ্ট কৰি এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰিছে। চৰকাৰী সাহায্যৰ উপৰিও সমাজৰ প্ৰতিটো সচেতন সংগঠনে এইক্ষেত্ৰত আগবাঢ়ি অহা উচিত। 'জনগণৰ প্ৰেৰণা, আমাৰ সাহস' নামৰ সংস্থাটোও ভৱিষ্যতেও এনে বিপৰ্যয়ৰ সময়ত জনসাধাৰণক সহায় কৰি যাব। সংস্থাটোৰ এই মানৱীয় প্ৰচেষ্টাক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা